চান্দমামা

ডিছেমবাৰ ১৯৯২





চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পোলিঅ'প্লাছ

Dec, 92

শিশুইঁতলৈ
ব্যাধিবিহীন মুক্তজীৱনৰ
সুস্পষ্ট আশ্বাস

কেতিয়া কিমান ছিটা দিব লাগিব

ছিটা কেতিয়াৰপৰা আৰম্ভ কৰিব	ছিটাৰ নাম	ৰোগৰ নাম	কিমান বাৰ দিব লাগিব
জন্মৰ লগে লগে	**বি ছি জি**	**যক্ষ্মা**	এবাৰ মাথোন
৬ সপ্তাহ	**পোলিঅ'**	**পোলিঅ'**	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৬ সপ্তাহ	**ডি পি টি**	**ডিপথেৰিয়া** **পাৰ্টুছিচ** (আজোৰা কাহ) **টেট্যানাছ** (ধনুষ্টংকাৰ)	তিনি বাৰ (কমেও এমাহৰ বাদে বাদে)
৯ মাহ	**মিজলজ**	সৰু আই	এবাৰ মাথোন
জন্মৰ বাৰ মাহৰ ভিতৰতে শিশুক সকলো ধৰণৰ ছিটা সম্পূৰ্ণকৈ দিব লাগিব।			

গৰ্ভৱতীসকলে গৰ্ভধাৰণৰ শেষৰ ফালে দুবাৰ টেট্যানাছ (টি টি) ছিটা লোৱা আৱশ্যক। প্ৰথমবাৰ ছিটা লোৱাৰ এমাহৰ অন্তত দ্বিতীয়বাৰ ল'ব।

সুস্থ শিশু—জাতিৰ আশা আৰু গৌৰৱ

চান্দমামা

*

ডিচেম্বাৰ ১৯৯২

এই * আছে

সংখ্যাত

*

শান্তিৰ উৎস সন্ধানত	:	৭	এক আকাশত দুই সূৰ্য্য	:	৩৭
পৃথিৱীৰ থিৰিকীৰে	:	৯	আওহেলাৰ চিকিৎসা	:	৪১
দুনীয়াখন কাৰ	:	১১	বীৰ হনুমান	:	৪৫
মায়া মহল	:	১৭	সম্বাদ-বিচিত্ৰা	:	৫৩
স্বাৰ্থৰ সাৰকথা	:	২৫	কথাৰ কথা	:	৫৪
নোছোওঁ পানী ধৰোঁ মাছ	:	৩১	গাই-গুৱালৰ মিল	:	৫৯
চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৪	ধৰ্ম আৰু কৌশল	:	৬০

*

আৰু বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

MAGGI CLUBBERS MAGGI CLUB FUN LOVERS
'মেগী জিগ্‌ছ' পাজল'-বে মেগীৰ ৰোমাঞ্চক জগত জয় কৰা।
'মেগী স্কাই ক্ৰেজাৰ' ডাবৰ চেৰাই উৰা মাৰা।
'মেগী এ'চ এডভেঞ্চাৰ' গেমত সাগৰৰ পৰা আকাশলৈ যোৱাৰ ৰোমাঞ্চ অনুভৱ কৰা।
'মেগী হু-ডান-ইট' ৰহস্যময় গেম
অকণ-অকণিহঁতৰ বাবে ৰোমাঞ্চক আকৰ্ষণ!
মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে!
'মেগী ৰেইডাৰ্ছ অব দা ৰে'ড ষ্টাৰ' গেমত অজান মুলুকৰ ধূৰ্ত সকলৰ লগত সমানে ফেৰ মাৰা।
অকণ অকণিহঁত আহাঁ! মেগী ক্লাবত যোগ দিয়া আৰু প্ৰৱেশ কৰা মেগীৰ ৰোমাঞ্চক জগতখনত!
তোমালোকে কেৱল এই চিহ্নটো মেগী নুডল্‌ছৰ ৫ টাকৈ খালি পেকেটৰ সমুখ ফালৰ পৰা কাটি উলিওৱা আৰু নিজৰ পচন্দৰ প্ৰতিটো বিনামূলীয়া উপহাৰ পাবৰ বাবে আমালৈ পঠাই দিয়া। তোমালোকে ৬-৮ সপ্তাহৰ ভিতৰতে মেগী ক্লাবৰ পৰা পাবা মনোমোহা উপহাৰ। কি উপহাৰ লাগে সেই কথাৰ লগতে নিজৰ নাম, ঠিকনা আৰু জন্মৰ তাৰিখ জনাবলৈ নাপাহৰিবা। তোমালোকৰ মাজৰ মেগী ক্লাব সদস্য সকলে সদস্য নম্বৰো জনাবা। এতিয়াও সদস্য নোহোৱা সকলে এইটো সুযোগ নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা মতে বিতং বিৱৰণবোৰ পঠাওতে সদস্যতা কাৰ্ড বিচাৰি লিখিবা। আমি উপহাৰৰ লগতে বিনামূলীয়াকৈ মেগী ক্লাব সদস্যতা কাৰ্ড পঠাই দিম!
আমাৰ ঠিকনা:
MAGGI CLUB
P.O. Box 5788 New Delhi-110 055
বিনামূল্যে মেগী 'কুইজ অব এনিমেলছ' কুইজ পুস্তিকা। তোমালোকে গোটোৱা প্ৰতি ২ টাকৈ উপহাৰৰ বাবদ পাবা মেগী 'কুইজ অব এনিমেলছ' কুইজ পুস্তিকা — বিনামূল্যে।
MAGGI 2-minute noodles
আৰু এটা কথা! তোমালোকে যদি মেগী বাৰ্ডহাউছ এতিয়াও গোটোৱা নাই তেনেহলে এতিয়া গোটোৱা।
HTA 7778ASS

GET OFF TO A FLYING START *with*

LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.

LION *Gee-flo®* BALLPENS
035 carbine **050 carborite**

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.



LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992
OFFICIAL LICENSEE OF THE WORLD CUP

National-766

চান্দমামা

সংস্থাপক : চক্ৰপাণি   সঞ্চালক : বি নাগিৰেড্ডি

শান্তিৰ উৎস সন্ধানত

সমগ্ৰ পৃথিৱী জুৰি বৰদিন উপলক্ষ্যে পৰস্পৰলৈ নানাভাবে শুভেচ্ছা বিনিময় কৰিব ; ডাকযোগেও শুভেচ্ছা বিনিময় হ'ব। সাধাৰণতঃ এই শুভেচ্ছাৰ সৈতে কোনো কোনোৱে 'শান্তি'ও যুক্ত কৰি দিয়ে।

কেনেকুৱা শান্তিনো এই বৰদিন উপলক্ষ্যে জনগণে কামনা কৰে ? নিশ্চয় নিৰ্বিঘ্ন আৰু নিৰৱচ্ছিন্ন শান্তি। এই শান্তিৰ বতৰা তেওঁৰ মুখত, দৃষ্টিত, আনকি সাধাৰণ দেহভংগীতো প্ৰকাশমান। হাঁহি, কৰমৰ্দন, আদি আনন্দৰ উচ্ছ্বাসময় প্ৰকাশ ঘটে এই দিনত।

এই দিনত অহিংসাৰ বাণী যথোচিতভাবে যথাৰীতি উচ্চাৰিত হয়। বৰ দিনত কেৱল বৰ বৰ হৃদয়েই নহয়—অতি ক্ষুদ্ৰ হৃদয়বোৰো 'বৰ' বা 'ডাঙৰ' হৈ উঠে, পৰস্পৰলৈ শ্ৰদ্ধা জ্ঞাপন কৰে, পৰস্পৰে পৰস্পৰৰ কল্যাণ কামনা কৰে, অ-মহৎও মহৎ হৈ উঠে।

কিন্তু বছৰৰ তিনিশ চৌষষ্ঠি দিন বাদ দি কেৱল এই এটি দিনতে আমি শান্তি বিচাৰি থাকিলে হ'বনে ? শান্তিৰ উহ বছৰৰ তিনিশ পঁয়ষষ্ঠি দিনেই বিচাৰিব লাগিব আৰু উদ্যোগও ল'ব লাগিব।

পৃথিৱীত শান্তিৰ কাৰণে প্ৰধানতঃ লাগিব মানৱ-সম্প্ৰদায়ৰ মাজত একাত্মতা তথা সমতা। এই সমতায়েই হ'ব শান্তিৰ পটভূমি তথা প্ৰধান উৎস। আমাৰ আজিৰ দিনৰ ধ্বনি হোৱা আৱশ্যক—'সমতা বিনে শান্তি নাই'। এই সমতা কেৱল ধ্বনিৰেই নহ'ব, মুখেৰে ক'লেই নহ'ব, হাতে-কামে কৰিব লাগিব, আৰু ক্ষমতাৱানে অক্ষমৰ সৈতে একাত্ম হোৱাৰ বোধৰে উদ্দীপিত হৈ—একাসনত বহাৰ মানসিকতা—এই মহাপুৰুষগৰাকীৰ দৰেই অৰ্জন কৰিব লাগিব।

আহক, আমি সকলোৱে মিলি সেই প্ৰকৃত শান্তিলৈ কেৱল সমগ্ৰ বছৰৰ সমস্ত দিনেই নহয়, আমি আমাৰ সমগ্ৰ জীৱনকাল ধৰি মহাপুৰুষ মানৱপুত্ৰৰ সৈতে একাত্ম হৈ আৰাধনা কৰোঁ।

বছৰ : ১৭   ডিচেম্বৰ ১৯৯২   সংখ্যা : ৯

খনে ৪·০০ টকা :: বছৰেকীয়া বৰঙণি ৪৮·০০ টকা

সকলোৰে আহাহোন কেম্পকো-ৰ গাবলৈ গুণ!

“গাখীৰৰ গুণ আৰু, পুষ্টিও আছে ওপচি, মেয়ে যাঁও খাবলৈ সকলো নেওচি।
এনে এটা চকোলেট - আচৰু সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।”

ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লাণ্টত তৈৰি।
কেম্পকো লিমিটেড, মাঙ্গালোৰ ·

R K SWAMY/BBDO CL 10117 AS

পশ্চিম এছিয়াত শান্তিৰ নৱ প্ৰচেষ্টা

দীৰ্ঘ পোন্ধৰ বছৰ জোৰা শাসনৰ অন্তত ইজৰায়েলত লিকুদ পাৰ্টি নিৰ্বাচনত পৰাজিত হ'ল আৰু লে'বৰ পাৰ্টি অৰ্থাৎ শ্ৰমিক দলৰ হাতত শাসন-ভাৰ অৰ্পিত হ'ল। আৰু লে'বৰ পাৰ্টিৰ এই অভাৱিত বিজয়ৰ লগে লগে পশ্চিম এছিয়াত চলি থকা বিৰক্তিজনক সমস্যাসমূহৰ সমাধানৰ আশাও উজ্জ্বল হৈ উঠিল।

এই নিৰ্বাচনত ইজৰায়েলৰ পাৰ্লামেণ্ট 'নেছেট'ৰ ছিটৰ মাজত লে'বৰ পাৰ্টিয়ে ৪৭ আৰু শাসক লিকুদ পাৰ্টিয়ে ৩৩ খন আসন অধিকাৰ কৰিলে। মেৰেজ পাৰ্টিয়ে পালে ১২ খন। চৰকাৰ গঠনৰ বাবে এওঁলোকে লে'বৰ পাৰ্টিলৈ সমৰ্থন জ্ঞাপন কৰিছে। দুটি আৰব পাৰ্টিয়ে ৫ খন আসন পালে আৰু এওঁলোকেও লে'বৰ পাৰ্টিলৈ সমৰ্থন আগ বঢ়াব বুলি কৈ দিলে।

এইদৰে, শ্ৰমিক দলৰ নেতা মি. ইত্‌ঝ্যাক ৰ্যাবিন ইজৰায়েলৰ 'ৰোশ্‌ মেম শ্বা-লাহ্‌' হ'ল আৰু প্যালেস্তানীয় সকলৰ বিষয়ে দুৰ্ভোগ্য-সৃষ্টিকাৰী মি. ইতঝ্যাক শ্বামিৰৰ ১৫ বছৰ যোৰা একক শাসনৰো পতন হ'ল।

মি. ৰ্যাবিন ৭০ বছৰৰ আগেয়ে জেৰুজালেমত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃ-মাতৃ আছিল পূব ইঅ'ৰোপৰপৰা প্যালেস্তাইনলৈ অহা ভগনীয়া। গতিকে—মি. ৰ্যাবিন হ'ল ইজৰায়েলৰ আজিপধো সকলো প্ৰধানমন্ত্ৰীৰ মাজত প্ৰকৃত 'খলুৱা মানুহ'। কৃষিবিদ্যালয়ৰ পাঠ সমাপ্ত কৰাৰ অন্তত যুৱা ৰ্যাবিনে ইহুদি উগ্ৰবাদীসকলৰ দলত যোগ দিছিল। ইজৰায়েল স্বাধীন হোৱাৰ পাছত তেওঁ ইজৰায়েলৰ দেশৰক্ষা বিভাগত যোগদান কৰিছিল আৰু দেশৰক্ষা বিভাগৰ সৰ্বোচ্চ পদত নিযুক্ত হৈছিল। ১৯৬৮ চনত তেওঁক আমেৰিকালৈ ৰাষ্ট্ৰদূত হিচাপে পঠোৱা হৈছিল। পাঁচ বছৰৰ পাছত পুনৰ জাতীয় ৰাজনীতিত যোগদান কৰি তেওঁ শ্ৰমিক দলৰ হৈ ১৯৭৪—৭৭ লৈ প্ৰধানমন্ত্ৰীৰ পদ অলংকৃত কৰিছিল।

লিকুদ-শ্ৰমিক দলৰ কোৱালিশ্যান চৰকাৰত মি. ৰ্যাবিন আছিল স্বৰাষ্ট্ৰমন্ত্ৰী (১৯৮৪ চনত) — ১৯৯০ চনত এই কোৱালিশ্যানৰ পতন নোহোৱালৈকে।

এইবাৰৰ নিৰ্বাচনত মি. ৰ্যাবিনৰ শ্ৰমিক দল বিজয়ী হোৱাত পশ্চিম এছিয়াত শান্তিৰ স্থায়িত্বৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে। মাতৃভূমিৰপৰা উচ্ছেদ হোৱা প্যালেস্তিনীয়সকললৈ এক ন্যায়পূৰ্ণ প্ৰস্তাৱ দাঙি ধৰা হৈছে। ৰেডিঅ', টিভিয়ে এই বিষয়ে প্যালেস্তিনীয়সকললৈ পৰিপূৰ্ণ আশ্বাস প্ৰদানকাৰী মি. ৰ্যাবিনৰ বক্তব্য বিস্তৃতভাৱে প্ৰচাৰ কৰা হৈছে। আৰু—প্যালেস্তিনীয়সকললৈ এই আশ্বাস বিশ্বাসযোগ্য ভাৱে উপস্থাপিত হ'ব পাৰে—যদি ইজৰায়েল-অধিকৃত ইহুদি উপনিবেশৰ কাৰণে ব্যয় হ্ৰাস কৰা হয়—তেহে।

মি ৰ্যাবিনে আৰৱ-নেতাসকতলৈ. যেনে—জৰ্দনৰ ৰজাক লেবানন আৰু ছিৰিয়াৰ ৰাষ্ট্ৰপতি-দ্বয়ক আলাপ আলোচনাৰ বাবে জেৰুজালেমলৈ অহাৰ যথোচিত নিমন্ত্ৰণ কৰিছে। মি. ৰ্যাবিনে—এই আলাপ-আলোচনাৰ পৰিবেশ সৃষ্টিৰ বাবে—অধিকৃত অঞ্চলত সক্ৰিয় কৰ্মদ্যোগ স্থগিত ৰাখিছে। তেওঁ মিছৰীয় ৰাষ্ট্ৰপতি মি. হোজ্‌নি মুবাৰকৰ সৈতে সাক্ষাৎ কৰিবলৈ কায়ৰ'লৈ গৈছিল। বহু বছৰৰ আগতে মি. মুবাৰকে তেতিয়াৰ ইজৰায়েলি প্ৰধানমন্ত্ৰী মি. শ্বামিৰৰ সৈতে সাক্ষাৎ কৰিবলৈ অস্বীকৃত হৈছিল. কিয়নো—মি. মুবাৰকৰ মতে মি. শ্বামিৰ আছিল 'আৰৱ-সকলৰ প্ৰতি অসহানুভূতিশীল'। এইবাৰ কিন্তু পশ্চিম এছিয়াত স্থায়ী শান্তিৰ এয়েহে সময় বুলি মি. হোজ্‌নি মুবাৰক মি. ৰ্যাবিনৰ সৈতে একমত হৈছে।

ইতিমধ্যে—প্যালেস্তিনীয় লিবাৰেশ্যান ফ্ৰন্টে প্ৰায় ৫০ বছৰৰ আগতে বিতাড়িত গাজা ষ্ট্ৰিপত দাবী জানাইছে ইজৰায়েলি উপনিবেশ গঢ়াৰ কাম একেবাৰে বন্ধ কৰিবলৈ। পি. এল. ও. নেতা ইয়াছেৰ আৰফতে আৰু এখোজ আগবাঢ়ি প্ৰধানমন্ত্ৰী মি. ৰ্যাবিনৰ সৈতে আলাপ-আলোচনাৰ ইচ্ছা প্ৰকাশ কৰিছে।



স্থায়ী শান্তিৰ বাবে ইজৰায়েলৰ প্ৰকৃত মনোভাব ৱাশ্বিংটনত বহা বিভিন্ন দেশ আৰু দলৰ পৰৱৰ্তী আলোচনাৰপৰা জনা যাব।

দুনীয়াখন কাৰ

ৰজনীগন্ধা নামৰ সৰু গাঁও, সেইখন গাঁৱৰ শিৱশংকৰে ভালকৈ লিখি-পঢ়ি পৰীক্ষাত ভাল ফল কৰি চৰকাৰী চাকৰি পাই চহৰলৈ গ'ল আৰু চহৰ গা-তে লগা ফুলগন্ধ গাঁৱৰ ফুলমতীক বিয়া কৰালে।

বিয়াৰ পাছত ঘৰ এটা লাগে, বিচাৰি বিচাৰি চহৰৰ প্ৰায়—শেষ সীমাত অলপ আওহতীয়া ঠাইতে—আশুপুৰণি ঘৰ এটা পালে আৰু ভাড়ালৈ ল'লে।

ঘৰটো আছিল তিনি কোঠলীয়া। ঘৈণীয়েক সীমাই প্ৰথমটো খোটালীত চকী-মেজ আদি সজাই থ'লে। খিৰিকী-বিলাকত পৰ্দা লগালে, আৰু মাজৰ কোঠাটোক শোৱা কোঠা হিচাপে যথাযথভাবে সজাই—শেষৰ তথা ঘৰৰ পিছফালৰ কোঠাটো ৰান্ধনি-ঘৰ হিচাপে ব্যৱহাৰ কৰিবলৈ মনস্থ কৰি বাচন-বৰ্তন চৰু-টৌ আদিৰে ঠিকঠাককৈ সজালে।

এইবোৰ কাম কৰি আজৰি হওঁতেই গধূলি হওঁ হওঁ হ'ল। আৰু ঠিক তেতিয়াই প্ৰথমটো কোঠাৰ খিৰিকীয়েদি এটা বান্দৰ সোমাই আহিল। আৰু চাওঁতে চাওঁতে সেই বান্দৰটোৱে এজনী ভূতুনীৰ ৰূপ ল'লে।

ভূতুনীয়ে সীমাক ডাবি মাৰি ক'লে, "বোলোঁ আ'ই হেই—তুমি ডৰপুকজনীয়ে ইমান ডৰ কৰিছা কিয়? কিহলৈ ভয় তোমাৰ? মই কিবা ৰাক্ষসীনে?" তাৰ পাছত তাই ভূতুনীয়ে শান্ত কণ্ঠেৰে ক'লে, "আজিৰপৰা পঁচিছ বছৰৰ আগতে মই মোৰ গহনাপাতি বেচি এই ঘৰটো কিনিছিলোঁ। কিন্তু মোৰ স্বামীয়ে—

বৰেন মেধি

চেৰাপ আৰু জুৰাতে সকলো শেষ কৰিলে, শেহান্তৰত ঘৰটোও বেচিলে। যেই কি নহওক—এই ঘৰ মোৰ, আৰু এই ঘৰৰ সকলো কাম মোৰ ইচ্ছামতেহে হ'ব লাগিব।" এই বুলি কৈ ভূতুনীয়ে সকৈ জাঁপ এটি মাৰি চকি এখনত বহিল।

সীমাই থিয়ৈ থিয়ৈ কঁপি আছিল। ভূতুনীয়ে কৈ উঠিল, "থিয়ৈ থিয়ৈ কি চাই আছা? ঘৰলৈ আলহী আহিল যে—খাৰন-লওনৰ বা-বন্দৱস্ত নকৰ কি?"

তাৰ পাছত ইফালে-সিফালে চাই পুনৰ ক'লে, "বোলোঁ—এইটো এটা ঘৰণে মৰিশালি? কোনটো কোঠাত কি কৰিব লাগে—কোন বস্তু ক'ত থ'ব লাগে—তাকো নাজানা? নাজানা বাৰু নাই—পিছে—মই যেনেকৈ কি ক'ম তাকে কৰিবা। মই কোৱা মতে সজালে তোমাৰ গিৰিয়েৰায়ো ভাল পাব চাবা।"

এই বুলি কৈ—ভূতুনীয়ে ঘৰৰ প্ৰথম কোঠাটো ৰান্ধনি ঘৰ হিচাপে সজালে, মাজৰ কোঠাটো চ'ৰা ঘৰ, আৰু ঘৰৰ বাৰী ফালৰ কোঠাটোক শোৱাকোঠা হিচাপে সজালে।

সীমাই আপত্তি দৰ্শোৱাত ভূতুনীয়ে চকু পকাই কৈ উঠিল, "শুনা, এনেয়ে মই সঁচাসঁচিকৈ ভাল কিন্তু মোৰ কথাত ৰাও-শব্দ কৰা যদি—মই তোমাৰ কাল।

এনেতে দুৱাৰত খটখটনিৰ শব্দ উঠিল। শিৱশংকৰ আহিল। ভূতুনীয়ে সীমাক ক'লে, "শুনা, মোৰ কথা যদি গিৰিয়েৰক কিবা কৈছা—তেনেহ'লে মোৰ হাততে তুমি মৰিছা বুলি জানিছা।" এই বুলি কৈয়েই ভূতুনীয়ে পুনৰ বান্দৰৰ ৰূপ ধৰি জাঁপ মাৰি পলাই গ'ল।

শিৱশংকৰ ঘৰৰ ভিতৰলৈ আহিল আৰু কাণ্ড দেখি তাৰ চক্ষু চড়কগাছ হ'ল! সি ইফালে-সিফালে চাই ঘৈণীয়েক সীমাক ক'লে, "তুমি বাৰু বলিয়ানে কি? আগতে পাগঘৰ—পাছত শোৱাঘৰ!"

শিৱশংকৰে কোঠাবোৰ ঠিকমতে সজাবলৈ ধৰিলে। সীমাই ভয়ৰ কোবত ভূতুনীৰ কাণ্ডৰ কথা একো নক'লে।

পাছদিনা শিৱশংকৰে সীমাক ক'লে, "শুনা, আজি দুপৰীয়া মই ঘৰতে খাম। বাৰৰপৰা এবজাৰ ভিতৰতে আহিম।" এই বুলি কৈ শিৱশংকৰ কামলৈ ওলাল গল।

সীমাই ৰান্ধিবলৈ যো-জা কৰি থাকোঁতেই বান্দৰৰ ৰূপ ধৰি ভূতুনী সোমাই আহিল আৰু ভূতুনীয়ে তাইৰ মনে-খোৱা মতে সীমাক ৰান্ধিবলৈ বাধ্য কৰিলে। মচুৰ দালিত চেনি, কেৰেলাত জলা আৰু মিঠা, বেঙেনাত টেঙা আদিৰে আঞ্জা ৰন্ধা হ'ল আৰু সেইখিনি শিৱশংকৰলৈ আছুতীয়াকৈ থৈ দিয়া হ'ল। ভূতুনীয়ে নিজে খোৱাৰ কাৰণে কিন্তু অন্য ধৰণে ৰান্ধিবলৈ সীমাক বাধ্য কৰিলে আৰু সেইখিনি খাই পুনৰ বান্দৰৰ ৰূপ ধৰি শিৱশংকৰ ঘৰলৈ আহি পোৱাৰ আগে আগে পলাই ফাট মাৰিলে।

খোৱাবস্তুখিনিলৈ চায়েই শিৱশংকৰে গৰ্জি উঠিল, "এইবোৰ কি? এইবোৰক আঞ্জা বোলেনে? তোমাক বিয়া কৰোৱাটো যে কিমান ভুল হ'ল—হাড়-হিমজুৰে জানিছোঁ। ছেঃ!" শিৱশংকৰে কাঁহীৰে সৈতে খোৱাবস্তুখিনি বাহিৰলৈ দলিয়াই পেলাই ঘৰৰপৰা ওলাই গ'ল।

এই ঘটনাৰ ফলত সীমা মৰ্মাহত হ'ল,



কিন্তু তাই এই ঘটনাৰ প্ৰতিকাৰ কৰাত অক্ষম। কিয়নো—তেতিয়া ভূতুনীয়ে তাইক বা তাইৰ গিৰিয়েক শিৱশংকৰকো হয়তো মাৰি পেলাব।

এইদৰে, ভূতুনীয়ে তাইৰ হুকুমআখৰে আখৰে পালন কৰিবলৈ সীমাক বাধ্যকৰি থাকিল, তাৰ ফলস্বৰূপে শিৱশংকৰৰ গাতো সন্ধ্যায় জুই জ্বলি থাকিল, অবিৰাম কন্দল চলি থাকিল।

এদিন সীমাই তাইৰ গিৰিয়েকক ক'লে, "মই দুই চাৰি দিনৰ কাৰণে মা'ৰ ওচৰলৈ যাম বুলি ভাবিছোঁ।"

শিৱশংকৰে টপৰকৈ কৈ উঠিল, "দুই-চাৰি দিনলৈ কিয় — দুই-চাৰি দহ-বিছ বছৰলৈ গ'লেও আপত্তি নাই মোৰ। যিমান দিনলৈ ন যায়—থাকা। মোক শান্তিৰে থাকিবলৈ দিয়া।"

জীয়েকক খীণোৱা যেন দেখা পাই সীমাৰ মাকে সীমাক ক'লে, "আই, তইনো ইমান খীণালি কিয়? কি হৈছে তোৰ? শিৱই তোক—" ৰৈ দিলে মাকে।

কওঁ কওঁ কৰিও সীমাই ভূতুনীৰ অত্যাচাৰৰ কথা মাককো ক'ব নোৱাৰিলে। কিন্তু গধূলি পৰত তাই তাইৰ ককায়েক প্ৰসাদক ভূতুনীৰ কথা ভাঙি-পাতিয়েই ক'লে।

প্ৰসাদ আছিল যথেষ্ট বুদ্ধিমান। প্ৰসাদে তাৰ ভনীয়েকক ক'লে, "তুমি এই কথাত সিমান চিন্তা আৰু নকৰিলেও হ'ব। মই সাতদিনৰ ভিতৰতে ভূতুনীক খেদি হে এৰিম। অলপ ধৈৰ্য্য ধৰা।"

পাছদিনাই প্ৰসাদ চহৰলৈ গৈ শিৱশংকৰৰ কাষ চাপিল।

প্ৰসাদক দেখ পায়েই শিৱই উত্তেজিত মাতেৰে কৈ উঠিল, "কিহে, সীমাৰ অবিহনে কিমান অসীম কষ্ট ভুগিছোঁ—কেনেকৈ ককবকাইছোঁ—তাৰ খেখ লবলৈ আহিলানে কি?"

প্ৰসাদে শিৱৰ পিঠিত থপৰিয়াই

শান্ত কণ্ঠেৰে ভূতুনীৰ কথা শুৰিৰেপৰাই বুজাই কোৱাৰ অন্তত ক'লে, "এইজনী ভূতুনীক ইয়াৰপৰা নিশ্চয় খেদিব লাগিব। কিন্তু তাৰ কাৰণে তোমাৰপৰা সহায়-সহযোগিতাৰ খুবেই আৱশ্যক হ'ব। মই যেনেকৈ যি কৰিবলৈ ক'ম—তুমি তেনেকৈ কৰিবা, বছ, হৈ যাব।

কি কৰিব লাগিব—নালাগিব সেই-বোৰ কথা প্ৰসাদে শিৱশংকৰক ক'লে।

তাৰ পাছত প্ৰসাদ গাঁৱলৈ উভতি গ'ল। তাত প্ৰসাদে তাৰ ভনীয়েক সীমাকো সকলো কথা বুজাই কৈ শিৱশংকৰৰ ওচৰলৈ যাবলৈ ক'লে।

সীমাই যি মুহূৰ্তত স্বামীৰ ঘৰ পালেগৈ, সেই—মুহূৰ্ততে ভূতুনীও সোমালহি। তাই ক'লে, "আহিলা:—ভালেই হ'ল। মই ভাবিছিলোঁ—আৰু কিজানি নাহিবাই। জল্‌দি জল্‌দিকৈ খাজা বনোৱা—বৰ ভোক লাগিছে। তাৰ পাছত মই কোৱামতে তোমাৰ পৈয়েৰাৰ কাৰণে খানা পগাবা।"

দুপৰীয়া ঘামি-জামি ঘৰলৈ আহি শিৱশংকৰে ভূতুনীৰ আদেশমতে সীমাই ৰন্ধা অখাদ্য বস্তুবোৰ খাই থাকোঁতে ক'লে, "আ—আঃ! আজিৰ খানা দেখাত পাৰখানা, কিন্তু ইমান যে বঢ়িয়া!" এই বুলি কৈ কৈ জুতি লগাই খোৱাৰ ভাও জুৰি খাই ভাওৰকৈ উগাৰ ছাৰিলে। জাৰকলীয়া ৰাতিৰ পৰতে ভূতুনীৰ হুকুম মতে শিৱশংকৰক গা ধোৱাৰ কাৰণে সীমাই চেঁচাৰো চেঁচা পানী দিলে আৰু শিৱশংকৰেও সেই চেঁচা পানীৰেইঅতি আৰাম কৰাৰ ভাও দি গীত গাই গাই গা ধুলে।

এইবোৰ কথা-কাণ্ড চাই ভূতুনীৰ খং উঠিল, কিন্তু তাই একো ক'ব বা কৰিব নোৱাৰিলে।

পাছদিনা ভূতুনীয়ে বেজাৰমুৱা হৈ সীমাক ক'লে, "তোমাৰ পৈয়েৰটো যে

কেনেকৈ তোমাৰ মহৰিৰ তলৰ মহটো হৈ গ'ল ! বৈণীয়েৰৰ কথা-কামত থেং কৰি নুঠা কোনো মতাবোৰ মতায়েই নহয় ।"

আগতেই কৈ থোৱা মতে সীমাৰ ককায়েক প্ৰসাদ পাছদিনা ধলপুৰাতে শিৰশংকৰৰ ঘৰলৈ আহিল। শিৰশংকৰে লগে লগে জোৰেৰে কৈ উঠিল, "সীমা, তোমাৰ ককাইদেউৰা আহিল— ।"

তিমানতে কাউৰী এজনীৰ ৰূপ ধৰি ভূতুনীয়ে শিৰশংকৰৰ ঘৰৰ খিৰিকীৰ কাষত বহিছিলহি। তাই তাত বহি বিহ সকলো কথা শুনি আছিল।

প্ৰসাদে চিঞৰি চিঞৰি কৈ আছিল, "মই ইমান ধলপুৰাতে কিয় ওলাইছোঁহি জানানে ? —আমাৰ গাঁৱত ভূত এটাই সকলোকে ৰৰকৈ জলাকলা কৰি আছিল। মই মন্ত্ৰ মাতি ভূতটোক ধৰি বটল এটাৰ ভিতৰত বন্ধ কৰি থৈছোঁ। এতিয়া সেই ভূতটোক হেনো ভূতুনী এজনী লাগে। সেইহে তোমালোকৰ ঘৰলৈ ধলপুৰাতে ওলালোঁ।তি তোমালোকৰ ঘৰত অত্যাচাৰ কৰি থকা ভূতুনীজনীক খপ কৰে ধৰি বটলত ভৰাই লৈ যাবলৈ। ক'তনো সেইজনী ? সৌ কাউৰী-জনীয়েই সেই ভূতুনীনে কি ?"

কাউৰীৰ ৰূপ লোৱা ভূতুনীজনীয়ে প্ৰসাদৰ কথা শুনি ভয়তে কেঁাচ খাই গ'ল' আৰু শৰীৰৰ সৰ্বশক্তিৰে ডেউকা কোবাই উৰি উৰি বহুদূৰলৈ গুচি গ'ল।

এইদিনৰ এই ঘটনাৰ পাছৰপৰা ভূতুনীজনী আৰু কেতিয়াও সীমাহঁতৰ ঘৰলৈ অহা নাছিল আৰু শিৰশংকৰেও তাৰ মৰমৰ ঘৈনীয়েক সীমাৰে সৈতে সুখে-সন্তোষে বসবাস কৰিছিল।

কথাতে বোলে—বুদ্ধি আছে যাৰ, দুনীয়াখনেই তাৰ। প্ৰসাদৰ বুদ্ধিৰ বলতহে ভূতুনীৰ কবলৰপৰা সীমাহঁত ৰেহাই পোৱা হৈছিল।

মায়া মহল

৭

[আগৰ কথা : ৰাজকুঁৱৰী বিদ্যাৱতীক বিচাৰি উলিয়াবলৈ মহেন্দ্ৰনাথ নামৰ যুৱক এজন ওলাল। মহেন্দ্ৰনাথ সাৰস সৰোবৰৰ আশে-কাষে থকা হাবি-বন পৰীক্ষা কৰি চাবলৈ ধৰিলে। তাৰ পাছত তাত ৰজাৰ ঘাটৈৰ লগত কথা পাতি এই অঞ্চলৰ বাট-পথৰ কথা যথাসম্ভৱ জানিবলৈ বিচাৰিলে। কিছু সময়ৰ অন্তত মহেন্দ্ৰনাথ সেই প্ৰায়ান্ধকাৰ অৰণ্যৰ গভীৰলৈ সোমাই গ'ল। আৰু তাৰ পাছত······]

সাৰস সৰোবৰৰ চতুষ্পাৰ্শ্ব ভালকৈ নিৰীক্ষণ কৰাৰ অন্তত মহেন্দ্ৰনাথ তৎক্ষণাৎ অৰণ্যৰ গভীৰলৈ সোমাই পৰিল।

সাৰস সৰোবৰৰ তটৱৰ্তী সীমাৰপৰা অৰণ্যৰ গভীৰলৈ সোমোৱাৰ কোনো ভাল বাট-পথ নাছিল। বিৰাট বিৰাট গছ-বিৰিখৰ তো কথাই নাই, জোপা-জুপলি, অসংখ্য লতাৰেও সকলো দিশ আগুৰা হৈ আছিল। যি কি নহওক, বহু চেষ্টাৰে অৰণ্যৰ ভিতৰলৈ সোমাই—ইফালে-সিফালে পৰীক্ষা-নিৰীক্ষা কৰি কৰি গৈ থাকোঁতে ৰাতি হ'ল আৰু লগত লৈ যোৱা খোৱাবস্তু জোলোঙাৰপৰা উলিয়াই লৈ অলপ খাই এচটা বহল শিলৰ ওপৰত ৰাতিটোৰ কাৰণে তাতেই কাতি হ'ল।

পাছদিনা সকালত সাৰ পাই উঠিয়েই



পঁজা-ঘৰ দেখা পাই মহেন্দ্ৰনাথে অবাক মানিলে। ইমান অননি-বননিৰ মাজত কোনে ঘৰ সাজিলে—ভাবি উলিয়াব নোৱাৰিলে মহেন্দ্ৰই। কিন্তু নানান কথা ভাবি—নানান কথাৰ আগম-পুৰাম চাই—এখোজ-দুখোজকৈ মহেন্দ্ৰনাথ সেই কুটীৰৰ পিনেই আগুৱাই গৈ থাকিল।

যেতিয়া গৈ গৈ কুটীৰৰ কাষ পালেগৈ, তেতিয়া ক'ৰবাৰপৰা কোনোবাই কৈ উঠিল: বোপা, তুমি কাক বিচাৰি এই ভয়ানক মহাৰণ্যলৈ আহিছা?

শুনি মহেন্দ্ৰনাথে ইফালে-সিফালে চালে। চাই ডাঙৰ আকাৰৰ ফুলনিৰ মাজত থকা গছ এজোপাৰ কাষত ওখ-পাখ তথা অতি সৌম্যদৰ্শন সন্যাসী এগৰাকীক থিয় হৈ থকা দেখা পালে মহেন্দ্ৰনাথে।

মহেন্দ্ৰনাথে কৰযুৰি সন্যাসীক প্ৰণাম কৰি ক'লে, "হে মহাত্মা! মই এক বিশেষ উদ্দেশ্য মনত লৈ আহিছোঁ। ইয়াত যে আপোনাৰ নিচিনা সৰ্বত্যাগী—মহাপুৰুষ এগৰাকীক দেখা পাইছোঁ—এয়া মোৰেই সৌভাগ্য।"

এই কথা শুনি প্ৰসন্নতাৰ আভাৰে আভাসিত সন্যাসীয়ে মৃদুকৈ হাঁহিৰে ক'লে, "যি কামলৈ ওলাইছা—সেই কাম

হঠাৎ হাবিৰ গখ-গছনিৰ ফাঁকেদি অলপ আঁতৰত লুংলুঙা বাট এছোৱা দেখা পাই মহেন্দ্ৰনাথ বহাৰপৰা দপাটকৈ থিয় হৈ উঠিল আৰু লাহে-ধীৰে সাৱধানিদৃষ্টিৰে খোজ দি দি তালৈ গ'ল। এই লুংলুঙীয়া বাটছোৱা নানাবিধৰ জোপা-জুপলি লতা-পাতেৰে ঢকা হৈ আছিল। মহেন্দ্ৰনাথে ক্ষন্তেকমান ভাবি লৈ হাবিৰ এই লুংলুঙীয়া বাটেৰেই আগ বাঢ়ি গৈ থাকিল।

এইদৰে, বহু সময় ধৰি একেৰাহে গৈ থকাৰ অন্তত মহেন্দ্ৰনাথে এডৰা মুকলি পথাৰ পালেগৈ। তাত থিয় হৈ, পথাৰ-খনৰ দক্ষিণসীমাত গছ-বনৰ মাজত এটা



সিদ্ধনোহোৱালৈকে তুমি তোমাৰ উদ্দেশ্যক ধিয়াই নিশ্চয় গৈ থাকিবা। কিন্তু এতিয়া সূৰ্য্যাস্ত হ'ল। গতিকে — ৰাতিছোৱা এই কুটিৰতে থাকিবা, আহাঁ। যিমানেই অসুবিধা নহওক এতিয়া আৰু ক'লৈকো নাযাবা।"

ঘৰ পাই, চাৰি পাতি দুয়ো বহিলে। সন্যাসীয়ে মহেন্দ্ৰক ক'লে, "মই বহু দেশ ভ্ৰমি ফুৰাৰ অন্তত এই অপূৰ্ব অৰণ্যত দেখা পোৱা তুমিয়েই হ'লা প্ৰথমজন মানুহ।" সন্ন্যাসীয়ে মহেন্দ্ৰনাথৰ ওচৰত একপ্ৰকাৰে আত্মপৰিচয় প্ৰদান কৰিলে।

মুহূৰ্তমানৰ মৌনতাৰ পাছত সন্যাসীয়ে মহেন্দ্ৰক সুধিলে, "কিন্তু তুমি কোন— ক'ৰপৰা আহিলা—কি কামলৈ ওলাইছা —একোৰেই নক'লা দেখোন।"

তেতিয়া মহেন্দ্ৰনাথেও সন্যাসীৰ আগত আত্মপৰিচয় দিলে। মহেন্দ্ৰনাথে ক'লে, "মোৰ নাম মহেন্দ্ৰনাথ। মই বীৰগিৰি ৰাজ্যৰ অধিবাসী। নিচেই সৰুতে মোৰ পিতাদেউ স্বৰ্গী হ'ল আৰু তাৰ পাছত খুড়াদেৰেই প্ৰকৃতাৰ্থত মোক লালন-পালন কৰিছিল। কিন্তু এবাৰ প্ৰসৰকালত খুড়ীদেউ ঢুকাল আৰু তাৰ কিছুদিনৰ পাছত খুড়াদেউ নিৰুদ্দেশ হ'ল। তেতিয়াৰপৰা মই আৰু মোৰ মা— প্ৰকৃততে অভিভাৰক নোহোৱা হৈ দুয়ো কথমপি জীয়াই আছোঁ।"

মহেন্দ্ৰনাথ ক্ষন্তেকৰ বাবে ৰ'ল। তাৰ পাছত পুনৰ কৈ থাকিল: "প্ৰায় সাত-দিনৰ আগতে আমাৰ ৰাজ্যৰ ৰাজকুঁৱৰীক নিশ্চয় কোনোবাই অপহৰণ কৰিলে। ৰাজকুঁৱৰীক বিচাৰি উলিয়াবলৈহে মই ওলাইছোঁ। মই হিমগিৰি ৰাজ্যলৈ গৈ ৰাজকুঁৱৰীক বিচাৰি চাম।"

"কিন্তু—এই ভয়ানক অৰণ্যৰ ওচৰে-পাঁজৰেও ক'তো কোনো জন-প্ৰাণী নাই, একেবাৰে নিমাওমাও। সোঁ ফালে সৌ যে ধৱলগিৰি পৰ্বত আছে—তালৈ তো

কোনো মানুহে আনকি যাবও নোৱাৰে বুলি শুনিছোঁ। হিমগিৰি ৰাজ্য হ'ল ধৱলগিৰিৰে সিপাৰ। কেনেকৈনো যাবা তুমি?" সন্ন্যাসীয়ে বিস্মিত দৃষ্টিৰে চাই মহেন্দ্ৰক সুধিলে।

"হে মহাত্মা! আমাৰ বীৰগিৰি ৰাজ্যৰ ৰাজজ্যোতিষাচাৰ্য্যই আমাক পশ্চিম ফাললৈ যাবলৈ আৰু চাবলৈ কৈছে। কৈছে যে—পশ্চিম দিশলৈ যাব পাৰিলেহে সুফল পোৱা যাব। মই এজন যুৱক, গতিকে—যিমানেই দুৰ্গম-দুৰ্লংঘ্য হওক—মই নিশ্চয় যাব পাৰিম। প্ৰজা হিচাপে ৰজাৰ প্ৰতি যথোচিত কৰ্তব্যকৰ্ম কৰিবলৈ মই প্ৰাণ দিবলৈকো প্ৰস্তুত।" মহেন্দ্ৰনাথে সন্ন্যাসীক দৃঢ়তাৰে ক'লে।

পাছদিনা ৰাতি পুৱাৰ লগে লগেই মহেন্দ্ৰনাথ জাগি উঠিল আৰু সন্যাসীক ধ্যানমগ্ন হৈ থকা দেখা পালে। সন্যাসীয়ে যেতিয়া চকু মেলি চালে, মহেন্দ্ৰনাথে সন্যাসীক সাষ্টাংগে প্ৰণাম কৰিলে।

সন্যাসীয়ে মহেন্দ্ৰনাথক আশীৰ্বাদ কৰি ক'লে, "তোমাৰ অপূৰ্ব সাহসেই হ'বগৈ তোমাৰ বিজয়মন্ত্ৰ। তথাপি, এয়া লোৱা—এই আঙঠিটো তোমাক দিছোঁ। এই আঙঠিটোৰ এক বিশেষ গুণ তথা শক্তি তুমি প্ৰত্যক্ষ কৰিবা যথাযোগ্য সময়ত। এই আঙঠিটো সদায় আনৰ দৃষ্টিৰপৰা লুকাই ৰাখিবা, নচেৎ আঙঠিটোৰ অত্যাশ্চাৰ্য্য শক্তি নষ্ট হৈ যাব। তোমাৰ উদ্দেশ্য সিদ্ধ হোৱাৰ অন্তত পুনৰ এবাৰ ইয়ালৈ আহিবা। মই তোমাৰ অহালৈ বাট চাই থাকিম। —কিন্তু বোপা, তুমি নথকা দিনবিলাকত তোমাৰ মাতৃৰ অৱস্থা কি হ'ব?"

"হে মহাত্মা! মোৰ মাতৃৰ দায়িত্ব স্বয়ং মহাৰজায়েই গ্ৰহণ কৰিছে। গতিকে—চিন্তাৰ কোনো হেতু নাই। আপোনাৰ ইচ্ছানুসাৰে কাৰ্য্য মই কৰিম। মোৰ উদ্দেশ্য সিদ্ধ হ'লে, বা নহ'লেও—যদি



মোৰ মৃত্যু নহয়, ঘৰলৈ উভতি যাওঁতে অৱশ্যেই আপোনাৰ সৈতে সাক্ষাৎ কৰিম। মোক আশীৰ্বাদ কৰক, হে মহাত্মা!" মহেন্দ্ৰনাথে নত মস্তক হৈ সন্যাসীৰ প্ৰতি ভক্তি প্ৰকাশ কৰিলে।

তেতিয়া সেই সন্যাসী গৰাকীয়ে মহেন্দ্ৰনাথক বুকত সাঁকোৱালি ল'লে আৰু অশ্ৰু বিসৰ্জন কৰিলে। সন্যাসীয়ে এইদৰে আনৰ কাৰণেঅশ্ৰু বিসৰ্জন কৰাত মহেন্দ্ৰনাথে তৰধ মানিলে।

মহেন্দ্ৰনাথ যেতিয়া কুটীৰৰ বাহিৰলৈ ওলাই আহিল, তেতিয়া বীৰগিৰি ৰাজ্যৰ সেনাধিপতিৰ পৰামৰ্শ সুঁৱৰিলে আৰু জ্যোতিষীয়ে কোৱা মতে পোনে পোনেই পশ্চিমদিশলৈ বুলি যাত্ৰা কৰিলে।

গৈ গৈ সূৰ্য্যাস্তৰ বহু সময়ৰ আগতেই দুৰধিগম্য ধৱলগিৰিৰ টিং পালেগৈ আৰু তাৰপৰা বহু বহু দূৰৈত প্ৰকাণ্ড প্ৰাচীৰ-বেষ্টিত কিবা এটা—বিশাল অট্টালিকাৰ দৰে কিবা এটা দেখা পাই দ্ৰুতগতিৰে সেই অট্টালিকাটোৰ পিনে গুমাই খোজ দি দি যাবলৈ ধৰিলে।

বিশাল-বিৰাট অট্টালিকাটোৰ কায় পাই মহেন্দ্ৰনাথে চাৰিওফালে ঘূৰি ঘূৰি প্ৰবেশ-পথ বিচাৰি থাকিল। বহু সময় ধৰি বিচাৰি থকাৰ অন্তত এঠাইত বিৰাট শকত লোৰ শিকলিৰে মেৰিয়াই বন্ধা কিবা এটা হাতেৰে টানি টানি চোৱাত—কোনোবা এজনে ভিতৰৰপৰা বিৰাট দুৱাৰখন নিঃশব্দে খুলিয়েই বিস্মিত কণ্ঠেৰে মহেন্দ্ৰনাথক ক'লে, "মই—আমাৰ মালিক অহা বুলি ভাবিছিলোঁ। কিন্তু—তুমি কোননো?"

"মোৰ নাম মহেন্দ্ৰ। মই বীৰগিৰি ৰাজ্যৰ মানুহ। তাত কোনো কাম-বন নাপাই কাম-ধান্দা বিচাৰি হিমগিৰি ৰাজ্যলৈ বুলি ওলাইছোঁ। এগৰাকী মানুহে মোক সৌ সিঠাইৰপৰা এই পৰ্বত পাৰ হৈ হিমগিৰিলৈ যাবলৈ কোৱাত এই ফালেদি

গৈ আছোঁ। মই অতি পৰিশ্ৰান্ত। মোক আজিৰ ৰাতিছোৱা দয়া কৰি তোমাৰ লগত হ'লেও থাকিবলৈ দিয়া। ৰাতি পুৱাৰ লগে লগেই মই গুচি যামগৈ।" মহেন্দ্ৰনাথে ক'লে।

তেতিয়া এই মানুহজনে ক'লে, "মই হলোঁ দ্বাৰপাল—এই অট্টালিকাৰ ঘাই পৰীয়া। এই অট্টালিকাৰ ভিতৰত সৌ সিফালে মোৰ থকা-মেলাৰ কাৰণে আছুতীয়া কোঠা এটা আছে। তাত তুমি থাকিব পাৰিবা। পিছে—বাহিৰা মানুহ ইয়ালৈ কোনো-কাহানি নাহেও আৰু থাকিবলৈ দিয়াৰ হুকুমো নাই। গতিকে কালিলৈ ধলপুৱাতে তুমি গুচি যাবগৈ লাগিব। আমাৰ মালিক ঘৰত থকাহেঁতেন তোমাক থাকিবলৈ নিদিলোহেঁতেন।"

"কিন্তু মোৰ কাৰণে তুমি তোমাৰ মালিকৰ খং তোলাই নোলোৱা যেন। তুমি নিঃচিন্ত হৈ থাকা—মই বোৱাৰী পুৱাতে ইয়াৰপৰা গুচি যাম।" মহেন্দ্ৰনাথে দ্বাৰপালক আশ্বস্ত কৰিলে।

"পিছে—আমাৰ মালিক হওঁতে বৰ উদাৰমনা। তোমাৰ কথা বুজাই ক'লে তেওঁ খং নকৰিবই কিজানি।" দ্বাৰপালে নিজক কোৱাদি ক'লে!

মহেন্দ্ৰনাথে ভাবিলেঃ তাৰ মালিক—এ সেই উদাৰমনা মানুহজন ৰাজকুঁৱৰীৰ অপহৰণকাৰী হ'ব পাৰেনে?

ইতিমধ্যে তুৱৰীয়ে অৰ্থাৎ অট্টালিকাৰ সেই দ্বাৰপালে এখন কাঁহীত খোৱাবস্তু কিছুখিনি মহেন্দ্ৰনাথক আনি দিলে।

খোৱাবস্তুখিনি খাই থাকোঁতে মহেন্দ্ৰনাথে দ্বাৰপালক সুধিলে, "তোমাৰ মালিক বাৰু—কেতিয়া ইয়ালৈ আহিব?"

"আমাৰ মালিক কেতিয়া আহে কেতিয়া যায়—কিয় আহে কিয় যায়—ক'ৰপৰা আহে ক'লৈ যায়—কোনেও ক'ব নোৱাৰে। এই কাৰণে আমি সদায় সন্থম হৈ থাকিব লাগে—সাৱধান হৈ

থাকিব লাগে।" দ্বাৰপালে ক'লে।

"ইয়াত কেৱল তোমালোকৰ মালিকেই থাকেনে মালিকৰ পৰিবাৰো থাকে?"

মহেন্দ্ৰনাথে ভুৰুৰ দুৱাৰত আকৌ টুকুৰিয়াই চালে।

"আমাৰ মালিকৰ 'পৰিবাৰ' বোলা এই ঠাইত অন্ততঃপক্ষে কোনো নাই। অন্ততঃপক্ষে—আমি কাহানিও তেনেকুৱা দেখা পোৱা নাই। তেওঁ যেতিয়া থাকে—অকলেই থাকো শুনা কথ.—তেওঁ নিজৰ কোঠাত ৰাতি উজাৰাবে থাকি দ'মে দ'মে তালপতীয়া পুথি পঢ়ে আৰু পঢ়াত ইমানেই মছগুল হৈ থাকে যে—একেৰাহে দুই-তিনি দিন ধৰি কোঠাৰপৰা নোলোৱাই হয়।—সম্প্ৰতে অৱশ্যে কোনো এগৰাকী আচৰিত ধৰণৰ যুৱতীক ইয়াত দেখা গৈছে। হয়তো আমাৰ মালিকৰ আত্মীয়, বা অন্য কোনো ধৰণৰ কুটুমো হ'পাৰে। এই যুৱতীগৰাকী ইয়ালৈ অহাৰ পাছৰ-পৰা আমাৰ মালিকে হেনো কেদিনমান ধৰি তেওঁৰ কক্ষৰপৰা মুহূৰ্তৰ বাবেও ওলোৱা নাছিল। তাৰ পাছত এদিন আমাৰ মালিক হঠাৎ ইয়াৰপৰা গুচি গ'ল। সেইহে—আমি ভয়ে ভয়ে থাকোঁ—কেতিয়া কি হয় কেতিয়া কি হয়—কেতিয়া মালিক আহি পায়হি—সেই কথা কোনে কয়!"

দ্বাৰপালৰ মুখে "আচৰিত ধৰণৰ যুৱতী'ৰ কথাটো শুনাৰেপৰাই মহেন্দ্ৰনাথৰ মনত সন্দেহৰ জোৱাৰ উঠিল। মহেন্দ্ৰনাথে ভাবি থাকিল: এই 'আচৰিত ধৰণৰ যুৱতী'য়েই আমাৰ বীৰগিৰি ৰাজ্যৰ ৰাজকুঁৱৰী বিদ্যাৱতী হয়নে? হ'ব পাৰেনে?—এই কথাৰ চয়-নিচয় কৰিবলৈ হ'লে—খৰচি মাৰি জানিবলৈ হ'লে এই অট্টালিকাতে কিছুদিনলৈ গুপ্তভাবে থাকিব লাগে। হয়, লাগেই থাকিব। কিন্তু—কেনেকৈনো? [আগলৈ

স্বাৰ্থৰ সাৰকথা

তথাপি প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য নদমিল। ডালৰপৰা লৰক-ফৰককৈ ওলমি থকা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ নিৰৱে-নিমাতে আঁউসীৰ এন্ধাৰ ভেদি বুলি গৈ মৰিশালিলৈ থাকোঁতে শ'ৰ মাজত বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰম! কিয় যে তুমি যুগ যুগ ধৰি এনে দুৰূহ প্ৰচেষ্টা চলাই আছা, মই সেই ৰহস্য ভেদ কৰিব পৰা নাই। মানুহে অৱশ্যে আশাৰেহে জীয়াই থাকে। কিন্তু সেই আশা কেনেকৈ ফলৱতী হ'ব, বা ফলৱতী হ'বনে নহ'ব— যুক্তিপূৰ্ণতাৰে বিচাৰ-বিবেচনা নকৰা হয়। মানৱৰ দৃষ্টিৰ গভীৰতা বৰ কম। সেই কাৰণে, সাধ্যাতিৰিক্ত শ্ৰম কৰি মানৱ প্ৰায়শঃ ব্যৰ্থতাৰ সন্মুখীন হয়। মোৰ এই মন্তব্যৰ প্ৰমাণস্বৰূপে আজি তোমাক মই সদাগৰ ধনগুপ্তৰ কাহিনী ক'ম।" বেতালে ক'লে:

'বেতাল-কথা'

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ কালত ভাগ্যনগৰত ধনগুপ্ত নামৰ এগৰাকী ব্যৱসায়ী আছিল। ব্যৱসায়ী হিচাপে ধনগুপ্ত আছিল যথেষ্ট দক্ষ। কিন্তু অত্যধিক বন্ধুপ্ৰীতিৰ ফলত তেওঁ কেতিয়াবা কেতিয়াবা বন্ধুহঁতৰ স্বাৰ্থপৰতাৰ কবলত পৰি ককবকাইছিল, বন্ধুহঁতে কেতিয়াবা কেতিয়াবা ধনগুপ্তক কথাৰ পাকত পেলাই নিজ নিজ স্বাৰ্থসিদ্ধি কৰি লৈছিল, ধন সৰকাইছিল। এইদৰে—বন্ধুহঁতৰ আওভাও যেতিয়া ধনগুপ্তই ঠাৱৰ কৰিব পৰা হৈছিল, তেতিয়া তেওঁৰ জীৱনকালৰ তিনিকাল গৈ একালত লাগিছিল।

ধনগুপ্তৰ তিনিজন পুত্ৰ আছিল। পুত্ৰ তিনিজনৰ নাম আছিল যথাক্ৰমে—আনন্দ, বিনন্দ আৰু বিবেক। এদিন তিনিওকো মতাই অনাই ধনগুপ্তই ক'লে, "বোপাহঁত, ব্যৱসায় কৰাৰ ক্ষেত্ৰত কেৱল সামৰ্থ্য থাকিলেই নহয়, স্বাৰ্থও থাকিব লাগে। মোৰ মাজত স্বাৰ্থবোধ লোপ পোৱাত মোক মোৰ বন্ধুহঁতে বাৰু পৰিমাণে ভাঁৰিলে। আজি মই কোটিপতি হৈ থকাৰ কথা, কিন্তু লাখপতি হোৱাতে তুষ্ট হৈ থাকিবলগীয়া হৈছোঁ। তোমালোক অৱশ্যে যথেষ্ট বুদ্ধিমান — মই জানো। সেই কাৰণে, তোমালোকৰপৰা মই এটা কথাত কথা পোৱাৰ আশা কৰিছোঁ। মোৰ মনৰ এই সৰু ইচ্ছা তোমালোকে পূৰাবানে বোপাহঁত?"

তিনিও পুত্ৰয়েই বিনম্ৰ ভংগীৰে ক'লে, "ব্যৱসায়ীক যে স্বাৰ্থবোধ থাকিব লাগে —আমিও জানো। আৰু—আপুনি যে সেই স্বাৰ্থবোধৰ পৰিচয় দিব পৰা নাছিল —তাকো জানো আমি তথাপি, জানি-বুজিও আপোনাৰ কোনো কাৰ্য্যৰ বিৰুদ্ধে আমি মাত মতা নাছিলোঁ। যি কি নহওক —আপোনাৰ ইচ্ছাৰ কথা কওক, আমি আমাৰ সাধ্যে কুলায়মানে আপোনাৰ ইচ্ছা নিশ্চয় পূৰাম।"

পুত্ৰ তিনিজনৰ কথাত ধনগুপ্তই ভাল পালে। তেওঁ ক'লে, "কিছুমানৰ মতে—মোৰ এই ঘৰটোৱেই হেনো মোৰ ব্যৱসায়ত সিমান লাভ নোহোৱাৰ কাৰণ। এই ঘৰত হেনো 'ভূমি-দোষ' আছে। কিন্তু—প্ৰকৃত কথা হ'ল যে—এইবিলাকে আমাৰ ঘৰটো 'স্থলদোষ' 'ভূমিদোষ'ৰ কথা কৈ এই ঘৰটো তথা ভূমিখিনি পানীৰ দামত পাব খুজিছেহে। এই ঘৰটোত যে কোনো 'দোষ' নাই, তোমালোকে কৌটিয়ে কৌটিয়ে ধন আৰ্জি তাক প্ৰমাণ কৰিবা—এয়ে মোৰ মনৰ ইচ্ছা।"



আনন্দ আৰু বিনন্দই দেউতাকৰ কথাত সন্মতি জনালে। কিন্তু—বিবেকে ক'লে, "দেউতা, আপুনি নিজৰ ত্ৰুটিখিনি বুজি পোৱা হৈছে, যদিও এই জনমত আৰু নিজৰ ভুল-ত্ৰুটি-সংশোধন কৰিবও নোৱাৰিব। ইমান বৃদ্ধ বয়সকালত বন্ধু-বান্ধৱৰ প্ৰতি কঠোৰ হ'ব নোৱাৰিব। সেই কাৰণে কওঁ — আপুনি নিজৰ ব্যৱসায়ৰ দায়িত্বৰপৰা নিজে নিজেই অব্যাহতি লওক।"

বিবেকৰ এই প্ৰস্তাৱতো ধনগুপ্তই 'হয়' কৰিলে।

তেতিয়া বিবেকে আকৌ ক'লে, "ব্যৱসায়ৰ দায়িত্ব কোনোবা এজনৰ ওপৰত দিলেহে ব্যৱসায়ত উন্নতি হ'ব। গতিকে —আপুনি আমাৰ তিনিওজনৰ মাজত যিজনক সমৰ্থ তথা দক্ষ বুলি ভাবিব তাকেই ব্যৱসায়ৰ দায়িত্ব দিয়ক।"

এই প্ৰস্তাৱতো ধনগুপ্ত সন্মত হ'ল আৰু ক'লে, "তোমালোক তিনিওজনেই দায়িত্বশীল তথা ব্যৱসায় চলোৱাত সমৰ্থ। গতিকে—মোৰ মনৰ ইচ্ছা যিজনে পূৰাবা বুলি স্থিৰ কৰিছো — আগুৱাই আহাঁ। মই আন দুজনকো অৱশ্যে সিহঁতৰ ব্যৱসায় আৰম্ভ কৰাৰ বাবে জোখে-জোখাৰে ধন দিম।"

তিনিওজনেই পৰস্পৰলৈ চালে। কিন্তু

দেউতাকৰ কথাৰ উত্তৰ পোনপটীয়াকৈ কোনেও নিদিলে।

তেতিয়া ধনগুপ্তয়েই পুনৰ ক'লে, "ঠিক আছে, সেই কথাৰ চয়-নিচয় বাকু ময়েই কৰিম। মই তোমালোকক কথা এটা সুধিম। যিজনে মোৰ মনেখোৱামতে উত্তৰ দিবা পাৰিবা, ব্যৱসায়ৰ দায়িত্ব মই তাকেই দিম।" ক্ষন্তেক বৈ ধনগুপ্তই সুধিলে, "এই মুহূৰ্তত যদি ভগৱন্তই তোমালোকক দেখা দিয়েহি, তোমালোকে তেওঁৰপৰা কোনে কি বৰ খুজি ল'বা বা কোৱাচোন শুনো?"

আনন্দই কৈ উঠিল, "দুনীয়াৰ ধন মোৰ হওক— মই ভগৱন্তৰপৰা নিশ্চয়ই এই বৰ খুজিম।"

বিনন্দই ক'লে, "ময়ো তেওঁৰপৰা ধনত শিতান দি থাকিবপৰা, ধনেৰে মঠ বান্ধিব পৰা বৰ খুজি ল'ম।"

কিন্তু বিবেকে পট্‌কৈ এই কথাৰ কোনো উত্তৰ নিদিলে

ধনগুপ্তই বিবেকক সুধিলে, "তুমি এইবিষয়ে একো নক'লা যে?"

বিবেকে মিচিকীয়াই হাঁহি মাৰি ক'লে, "মই এইবোৰ ধন-ধান একো নিবিচাৰোঁ। জগতৰ কোনোবা এজন মানৱতাপূৰ্ণ মানুহে যি খোজা উচিত— ভগৱন্ত কাষ চাপি আহেই যদি—সোধেই যদি—তাকেই খুজিম।"

"তাৰ অৰ্থ—?"

ধনগুপ্তই সুধিলে।

"অৰ্থ হ'ল—সমগ্ৰ মানৱজাতি সুখে-সন্তোষে তথা সমৃদ্ধিৰে জীৱন যাপিবপৰা বৰ ভগৱন্তৰপৰা খুজিম।" বিবেকে বিকাৰবিহীন ভাবে ক'লে।

বিবেকৰ উত্তৰ শুনি বিবেকৰ ককায়েক দুজনে হো হোকৰে হাঁহি উঠিল। কিন্তু দেউতাক ধনগুপ্তই তেওঁৰ সুমলীয়া পুত্ৰ তেওঁৰ বিৰাট ব্যৱসাৰ চোৱা-চিন্তা কৰাৰ বিবেকৰ ওপৰতে দায়িত্ব দিলে।

দেউতাকৰ এই কাৰ্য্যই আনন্দ-বিনন্দক বিস্মিত কৰি তুলিলে।

ধনগুপ্তই সিহঁত দুজনৰ বিস্মিত ভাবলৈ লক্ষ্য কৰি ক'লে, "তোমালোকৰ সমৰ্থ্য তথা ব্যৱসায়িক দক্ষতাৰ কথা মই নজনা নহয়, জানোৱেই। পিছে—মই প্ৰথমৰে-পৰাই এই কথা কৈ আহিছোঁ যে—ব্যৱসায়ত কেৱল সামৰ্থ্য তথা দক্ষতা থাকিলেই নহ'ব, ব্যৱসায়িক স্বাৰ্থবোধও থাকিব। লাগিব কিন্তু মানুহৰ মাজত নিহিত হৈ থকা স্বাৰ্থবোধৰ উমান লোৱাটো তেনেই টান কথা।

"গতিকে—এই স্বাৰ্থ-ৰহস্যৰ উমান মানুহৰ মুখৰ কথাৰপৰাহে ল'ব লাগিব। এইক্ষেত্ৰত — বিবেক তোমালোকতকৈ আগবঢ়া। গতিকে—ব্যৱসায়ৰ দায়িত্ব মই ভাবি গুণি তাকেই দিলোঁ।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰাজন্! ধনগুপ্ত নিজে যথেষ্ট স্বাৰ্থী হৈয়েই আছিল, যদিও বন্ধু-বান্ধৱহঁতৰ কাৰণে অধিকভাৱে ধনৱান হ'ব পৰা নাছিল বুলি ভাবিছিল। তেওঁৰ ঘৰটোৰ 'ভূমিদোষ' তথা 'স্থলাদোষ' থকাৰ গুজৱ উলিয়াই কিছুমান স্বাৰ্থী মানুহে অন্যায় সুবিধা আদায় কৰিব খুজিছিল। ধনগুপ্তৰ যদিও তিনিকাল গৈ একালত লাগিছিল, তথাপি তেওঁৰ মনত কোটিপতি হোৱাৰ আকাংক্ষা পূৰামাত্ৰায়েই আছিল। এই গুপ্ত হৈ থকা সুপ্ত ইচ্ছা পূৰাবলৈ বিবেকৱান অস্বাৰ্থী মানৱতাবাদী বিবেকক ব্যৱসায়ৰ পূৰ্ণ দায়িত্ব দিয়াটো ধনগুপ্তৰ পক্ষে মূৰ্খতা নহৈছিলনে? মোৰ এই সন্দেহৰ সঠিক উত্তৰ যদি জানিও নিদিয়া, তোমাৰ মূৰ যে ফাটি চাৰিফাল হ'ব—সেই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "জীৱন অতিবাহিত কৰিবলৈ মানুহে বিধোবিধ জীৱিকা তথা উপায় অৱলম্বন কৰে, যিবোৰ সা-সুবিধা

পায় কামত খটুৱায়। এইবোৰৰ উপলব্ধি সকলোটিৰ ক্ষেত্ৰত এক নহয়। ধনগুপ্তৰ উপলব্ধি হৈছিল যে ব্যৱসায়িক সামৰ্থ্যৰ সৈতে তীব্ৰ স্বাৰ্থবোধেৰো আৱশ্যক। এই বিষয়ত নিজৰ পুত্ৰ তিনিওকো সুধি তেওঁ গম পাইছিল যে স্বাৰ্থৰ কথাত পুত্ৰ তিনিওৱেই ক'বলৈ গ'লে একে পাল্লি। কিন্তু—ধনগুপ্তৰ দৃঢ় বিশ্বাস—আত্মস্বাৰ্থৰ কথা যিজনে মুখেৰে প্ৰকাশ নকৰে, সেইজনহে প্ৰকৃত বুদ্ধিমান। কিন্তু নিজ নিজ স্বাৰ্থৰ কথা প্ৰকট ভাবে প্ৰকাশ কৰি ধনগুপ্তৰ পুত্ৰদ্বয়—আনন্দ আৰু বিনন্দই — ধনগুপ্তৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে। ধনগুপ্তৰ মতে—স্বাৰ্থৰ কথা মনতহে থাকিব, মনৰ বাহিৰলৈ কদাপি নোলাব, তেহে স্বাৰ্থ সিদ্ধি হ'ব। এই হিচাপত ধনগুপ্তৰ 'সুমলীয়া ল'ৰা বিবেক পৰীক্ষাত উত্তীৰ্ণ হ'ল, কিয়নো—বিবেকে নিজৰ স্বাৰ্থৰ কথা আনকি তাৰ দেউতাককো কোৱা নাছিল, আনকি ঠেক-ভাওৰেৰেও বেকত কৰা নাছিল। আনকি —বিবেকে ভগৱন্তৰ আগতো আত্মস্বাৰ্থৰ কথা নক'ব বুলি স্থিৰ কৰিছিল। পৰিৱৰ্তে জগতৰ সকলো মানুহৰ সুখ-শান্তিলৈ প্ৰাৰ্থনা জনাব বুলি কৈছিল। দৰাচলেতে বিবেকে তাৰ স্বাৰ্থবোধৰ কথা কাৰো আগত সদৰি নকৰাটোকে স্থিৰ কৰিছিল —আৰু বিবেকৰ এই মনোভাব উপলব্ধি কৰি ধনগুপ্ত ব্যৱসায়ৰ ৰক্ষা তথা উন্নতিৰ বিষয়ে আশ্বস্ত হৈছিল। গতিকে ধনগুপ্তৰ এই কাৰ্য্যক একোপধ্যে মূৰ্খতা বুলি ক'ব নোৱাৰি? স্বাৰ্থৰ কথা বাস্তৱিকতে গুপ্ত ৰূপে ৰাখিব লাগে।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ সাউতকৰে পুনৰ সেই গছলৈ উড়তি গ'ল আৰু শ'টো সেই আওপুৰণি গছজোপাৰ ডালত তৎক্ষণাৎ ওলোমাই দিলে। [কল্পিত

নোছোওঁ পানী ধৰোঁ মাছ

এবাৰ ৰামশাস্ত্ৰী নামৰ পণ্ডিত এগৰাকী দেশৰ ৰজাৰ কাষ চাপিল, আৰু পণ্ডিত ৰামশাস্ত্ৰীৰ পাণ্ডিত্যত মুগ্ধ হৈ মহাৰাজে তেওঁক কিছুখিনি সোণ আৰু ৰূপ পুৰস্কাৰস্বৰূপে দিলে।

পুৰস্কাৰস্বৰূপে প্ৰাপ্ত সোণ-ৰূপখিনি সৰু টোপলা এটাত বান্ধি লৈ ৰামশস্ত্ৰী ঘৰলৈ যাব বুলি ৰাওণা হ'ল। কিন্তু যাওঁতে পণ্ডিত ৰামশাস্ত্ৰীয়ে তেওঁৰ ককায়েক শংকৰশাস্ত্ৰীৰ ঘৰলৈ যাব আৰু দুদিনমান থাকিব বুলি ককায়েকৰ ঘৰ পালেগৈ।

ৰামশাস্ত্ৰীয়ে ৰজাৰপৰা পোৱা সোণ-ৰূপৰ পুৰস্কাৰৰ কথা শুনি আৰু বস্তুখিনি দেখি শংকৰশাস্ত্ৰীৰ মনত ঈৰ্ষা উপজিল। খোৱা-বোৱাৰ অন্তত ৰামশাস্ত্ৰী টোপনি গ'ল, তেতিয়া ককায়েক শংকৰশাস্ত্ৰীয়ে ভায়েক ৰামশাস্ত্ৰীৰ সেই সোণ-ৰূপখিনিৰ টোপোলাটো চুৰি কৰি মাটিত পুতি থ'লে।

পাছদিনা টোপনিৰপৰা সাৰ পাই ৰামশাস্ত্ৰীয়ে সোণ-ৰূপৰ টোপোলাটো বিচাৰি নাপালে আৰু কথাটো ককায়েক শংকৰশাস্ত্ৰীক কোৱাত শংকৰশাস্ত্ৰীয়ে দুখ দুখ মুখেৰে ক'লে, "এস্! কিমান দুখৰ কথা। এতিয়া—মই কি কওঁ?"

ৰামশাস্ত্ৰীৰ মনত ককায়েকৰ প্ৰতিয়েই সন্দেহ উপজিল। এই চুৰি যে ককায়েকৰে কাম — সেই কথা ধ্ৰুৱ বুলি ভাবি তেওঁ শেহান্তৰত সেইখন গাঁৱৰ গাঁওবুঢ়াৰ কাষ চাপিল আৰু গাঁওবুঢ়াক সঁচা কথাখিনি আৰু ককায়েকৰ প্ৰতি সন্দেহৰ কথাটোও ক'লে। তেওঁ তেওঁৰ সোণ-ৰূপৰ টোপোলাটো ঘূৰাই পাব লাগে,

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

আনহাতে—ককায়েক অপমান হোৱাটোও নালাগে — এনেকুৱা কিবা বন্দৱস্ত কৰিবলৈ পণ্ডিত ৰামশাস্ত্ৰীয়ে প্ৰাজ্ঞ গাঁওবুঢ়াক অনুৰোধ কৰিলে।

এইখন গাঁৱৰ গাঁওবুঢ়া আছিল যথেষ্ট সাৱধানী তথা কৌশলী মানুহ। তেওঁ ভাবি-গুণি ৰামশাস্ত্ৰীক 'সাপো মৰক লাঠিও নাভাঙক' বিধৰ উপায় এটি দিলে।

পাছদিনা ৰামশাস্ত্ৰীক দুজন ৰাজ-প্ৰহৰীয়ে কটকটীয়াকৈ বান্ধি গাঁওবুঢ়াৰ ওচৰলৈ লৈ যোৱা দেখি শংকৰশাস্ত্ৰী অবাক হৈ পৰিল। প্ৰহৰীহঁতৰ পিছে পিছে শংকৰশাস্ত্ৰীও গাঁওবুঢ়াৰ ওচৰলৈ গ'ল। গাঁওবুঢ়াই শংকৰশাস্ত্ৰীৰ প্ৰশ্নৰ উত্তৰত ক'লে, "চাওক শংকৰশাস্ত্ৰীজী, আপুনি হ'ল এগৰাকী মান্য-গণ্য ইজ্জতদাৰ মানুহ। আপোনাৰেই ভাই হৈ যে এনেকুৱা নীচ কাম কৰিব পাৰে—ই আমাৰ ধাৰণাৰো বাহিৰ। কিন্তু মোৰ কৰিবলগীয়া একো নাই—স্বয়ং মহাৰাজেই বাতৰি পঠাইছে যে—ৰামশাস্ত্ৰী বোলা পণ্ডিত মানুহ এজনে ৰজাৰ ধন-ভঁৰালৰপৰা কিছুখিনি সোণ-ৰূপ আত্মসাৎ কৰিলে—ৰামশাস্ত্ৰীক যেনেতেনে বস্তুখিনিৰে সৈতে ধৰা পেলাব লাগে। ইপিনে—তেওঁক ধৰা পেলালেও বস্তুখিনি কিন্তু ধৰা পেলাব পৰা নাই। এতিয়া—যিহেতু তেওঁ আপোনাৰ ঘৰলৈ আহিছে, আপোনাৰ ঘৰতে ৰজাৰ সোণ-ৰূপ খিনি আমি বিত বিতকৈ বিচাৰি চাব লাগিব।"

গাঁওবুঢ়াৰ কথা শুনি শংকৰশাস্ত্ৰী তৎমুহূৰ্ততে ঘৰলৈ বুলি ঢপলিয়াই গ'ল আৰু সোণ-ৰূপৰ টোপোলাটো মাটি খান্দি উলিয়াই আনি ৰামশাস্ত্ৰীয়ে ৰাতি শুই থকা বিছনাৰ গাঁৰুৰ তলত থৈ দিলে।

এইদৰে গাঁওবুঢ়াৰ কৌশলী বুদ্ধিৰে ৰামশাস্ত্ৰীয়ে তেওঁৰ চুৰি হৈ যোৱা বস্তুখিনি সহজেই ঘূৰাই পালে আৰু পানীত নমমাকৈ মাছ ধৰিব পাৰিলে।



ভাৰতৰ পশু-পক্ষী ঃ

আমোদপ্ৰিয় পান্‌ডা

পুতলা ভালুক হ'ল সৰু সৰু ল'ৰা-ছোৱালীইতৰ অতি প্ৰিয় খেলাৰ লগৰী। ৰাতি শোৱাৰ পৰতে পুতলা-ভালুক লগত লৈ ল'ৰা-ছোৱালীইতে সিইতৰ বিচনাত লৈ শোৱে। এই পুতলা-ভালুক অষ্ট্ৰেলিয়াৰ 'কোৱালা ভালুক'ৰ অনুকৰণত সজা হৈছে।

ভাৰতৰ 'পান্‌ডা' নামৰ সৰু প্ৰাণীবিলাককো অষ্ট্ৰেলিয়াৰ 'কোৱালা ভালুক'ৰ সৈতে তুলনা কৰিব পাৰি। প্ৰায় ঘূৰণীয়া আকাৰৰ মূৰ আৰু চুটি চুটি ঠেং থকা পান্‌ডাক সেই অষ্ট্ৰেলীয় কোৱালা যেন দেখি। পান্‌ডা ৬০ চেন্‌টিমিটাৰলৈ দীঘল হয়, নেজডালে ৪০ চেন্‌টিমিটাৰ। কাণ দুখন ডাঙৰ আৰু থিয়, নেজ ঘূৰণীয়াবিধৰ, গাৰ বৰণ বাদামী, নেজৰ বৰণ মেহমেহীয়া কপিলা, শৰীৰৰ তলভাগ ক'লা, মূৰটো বগা।

পান্‌ডাবিলাকক ভাৰতৰ উত্তৰাঞ্চলৰ পাহাৰত পৰিলক্ষিত হয়। দিনৰ ভাগত গছৰ ডালত টোপনি মাৰে আৰু ৰাতিৰ পৰতে খাদ্য বিচাৰি ওলায়। ইইতে বাঁহৰ গাজ, অন্যান্য ৰসাল ফল-মূল আৰু কেতিয়াবা অন্যান্য প্ৰাণীৰ কণীও খায়। ইইতে সুহুৰিৰ দৰে শব্দ উলিয়াব পাৰে, যি শব্দক চৰাইৰ চিঁচিয়ানি যেন শুনি। পান্‌ডাবিলাকৰ নোমাল ছাল অতি মহ্‌ডাস্ত। আমাৰ পণ্ডিত জৱহৰলাল নেহৰুৰ পান্‌ডা-প্ৰীতি আছিল উল্লেখযোগ্য। তেওঁ দিল্লীত তেওঁৰ তিনমূৰ্তি ভৱনৰ বিস্তৃত বাগিচাত প্ৰতিপালন কৰা পান্‌ডাইতৰ সৈতে ধেমালি-ধুমুলা-কৰা প্ৰায়েই দেখা গৈছিল।

আজিৰ ভাৰত আৰু তাৰ সাহিত্য-সৃষ্টি

[সুপ্ৰাচীনকালৰ ভাৰতীয় সাহিত্যসৃষ্টিৰ সম্পৰ্কে আমি অল্প-বিস্তৰ প্ৰত্যেকেই হয়তো নানা উপায়েৰে জানিছোঁ, কিন্তু ভাৰতৰ আধুনিক সাহিত্যসৃষ্টিৰ সম্পৰ্কে আমাৰ জ্ঞান অতি সীমিত। সেইদেখি 'চান্দমামা'ই এই পৃষ্ঠাত ভাৰতবৰ্ষৰ বিভিন্ন ভাষাত সৃষ্ট হোৱা সাহিত্যৰ সংক্ষিপ্ততম পৰিচয় প্ৰদান কৰিব। এই সংক্ষিপ্ত পৰিচয়েই আমাৰ পাঠক-পাঠিকাহঁতৰ মাজত সাহিত্য-সৃষ্টিৰ পৰিপূৰ্ণ ৰূপ জানিবলৈ আগ্ৰহ-আকৰ্ষণ সৃষ্টি কৰিব—এই বিশ্বাসৰেই আমি এই পাতত এই কাৰ্য্যত ব্ৰতী হৈছোঁ।]

তাৰাশংকৰ বন্দ্যোপাধ্যায়

'গ ণ দে ৱ তা'

এই উপন্যাসৰ পটভূমি হ'ল এই শতিকাৰ প্ৰথম ভাগ। শিৱপুৰ নামৰ গাঁৱৰ শ্ৰীহৰিয়ে তাৰ নিজৰ স্বাৰ্থ বিনে জীৱনৰ আন কোনো অৰ্থ নাজানে বা নামানে। সি যেনেতেনে—আনকি আনৰ শ্ৰমৰ বিনিময়ত হ'লেও—ধনেদি দৌল বান্ধিব আৰু গাঁৱৰ মূৰা-ফুটা হ'ব—এয়ে হ'ল তাৰ জীৱনৰ লক্ষ্য।

তাৰ কাম-বনৰ সমালোচনা কৰাসকলৰ প্ৰতি শ্ৰীহৰি অতি নিৰ্মম। সি তাৰ আখেজ পূৰাবলৈ আনকি সি বেয়া পোৱা দুখীয়াহঁতৰ পঁজাত জুই লগাবলৈকো পিছপাও নহয়।

কিন্তু যেতিয়াই সেই দুখীয়াহঁত দুখৰ জুই পুৰি ককবকাই থাকিব, শ্ৰীহৰি আগবাঢ়ি আহিব সিহঁতক সহায় কৰিবলৈ। ৰাইজে আঁৰত শ্ৰীহৰিক যেনেকৈয়েই নচৰ্চ্চক, মুখামুখিতে তাক প্ৰশংসা কৰিবই লাগিব। চাটুকাৰ চাটুত শ্ৰীহৰিয়ে সুখ পায়, ভোল যায়।

কিন্তু এতিয়া গাঁৱৰ ৰাইজৰ মাজত এক নতুন জাগৰণৰ সোঁত বৈ অহা হৈছে। ঠিকঠাককৈ পইচা-পাতি নাপালে এতিয়া গাঁৱৰ কমাৰে নাপিতেও ৰাইজৰ তুষ্টৰ বাবে কাম নকৰা হৈছে। গাঁৱত নানান কথাত এতিয়া কাজিয়া-মাৰামাৰি অপ্ৰতিহত।

গাঁৱৰ অৱস্থা যেতিয়া এনেকুৱা, যেতিয়া ৰাইজ আশাহীন আৰু ভীতিৰ কবলত পৰি ককবকাইছে, তেতিয়া সিহঁতৰ মাজত পোহৰৰ ৰেঙনিৰূপে উদিত হৈছে দেবু। দেবু হ'ল এগৰাকী শিক্ষক আৰু

প্ৰকৃততেই ভদ্ৰমনৰ মানুহ। আন এজন হ'ল চিকিৎসক জগন—যিজন জগনে কেৱল ৰোগ-ব্যাধিৰ চিকিৎসাকে নকৰে, সমগ্ৰ সমাজখনৰে উপকাৰ কৰিবলৈ চেষ্টা কৰে।

ইতিমধ্যে চৰকাৰে মাটি জৰীপ কৰাৰ কাম হাতত লোৱা হৈছে। এজন সাধাৰণ চৰকাৰী কৰ্মীয়ে শিক্ষক দেবুৰ সৈতে দুৰ্ব্যৱহাৰ কৰাত দেবু মাস্টাৰে প্ৰতিবাদ কৰিলে আৰু সেই চৰকাৰি চাকৰিয়াল মানুহজন দেবু মাস্টাৰৰ প্ৰতি উগ্ৰ হৈ উঠিল। তেওঁ দেবু মাস্টাৰৰ বিৰুদ্ধে মিছা মোকৰ্দমা ৰুজু কৰিলে। সেইহে দেবু মাস্টাৰক গ্ৰেপ্তাৰ কৰা হ'ল আৰু বিচাৰত তেওঁৰ কাৰাবাসৰ আদেশ দিয়া হ'ল। তেতিয়া দেশত বৃটিছ-ৰাজৰ অন্যায় অত্যাচাৰৰ বিৰুদ্ধে জুই উমি উমি জ্বলিয়েই আছিল। গতিকে—দেবু হৈ উঠিল বৃটিছ-ৰাজৰ বিৰুদ্ধে প্ৰতিবাদৰ প্ৰতীক। গাঁৱৰ ৰাইজে দেবু মাস্টাৰৰ সাহসৰ শলাগ ল'লে আৰু দেবুৰ নামত জয়ধ্বনি দিলে।

এবছৰৰ পাছত দেবুক মুক্তি দিয়া হ'ল আৰু গাঁৱত আনন্দৰ জোৱাৰ আহিল। ইতিমধ্যে—যতীন নামৰ যুৱক এজনো সেইখন গাঁৱত থাকিবলৈ লৈছিল। শ্ৰীহৰিক এতিয়া জমিদাৰ বুলিয়েই ক'ব পাৰি। আগৰ জমিদাৰৰ মাটি-বাৰী শ্ৰীহৰিয়ে কিনি লৈছে। যি মাটিৰ কোনো গৰাকী চৰকাৰী ভাবে নাই—সেই মাটিৰো গৰাকী হেনো জমিদাৰেই। নতুন জমিদাৰ শ্ৰীহৰিয়ে তেনেবোৰ মাটিত থকা গছ-বিৰিখ কাটি নিবলৈ ধৰাত গাঁৱৰ ৰাইজে প্ৰতিবাদ কৰিলে আৰু এই কথাত সৰুসুৰা সংঘৰ্ষ এটাত দেবু মাস্টাৰ সামান্য আহত হ'ল। ৰাতিৰ পৰতে শ্ৰীহৰিৰ বাগানৰ এজোপা গছ কোনোবাই কাটি পেলালে।

এই অভিযোগত দেবুক অভিযুক্ত কৰা হ'ল আৰু দেবু মাস্টাৰক গ্ৰেপ্তাৰ কৰিবলৈ লোৱাৰ মুহূৰ্ততে গাঁৱৰ অনিৰুদ্ধ কমাৰে আগবাঢ়ি আহি ক'লে যে দেবু মাস্টাৰ নহয়, শ্ৰীহৰিৰ বাগানৰ গছজোপা সিয়েই কাটিলে। অনিৰুদ্ধক গ্ৰেপ্তাৰ কৰা হ'ল।

গাঁৱত হাইজা বেমাৰে অৰ্থাৎ কলেৰাই মহামাৰীৰূপে দেখা দিলে। দেবু মাস্টাৰে অক্লান্তভাবে বেমাৰীহঁতৰ সেৱা কৰি কৰি নিজৰ ঘৰলৈ কলেৰাৰ জীৱাণু কঢ়িয়াই আনিলে আৰু তাৰ ফলত দেবুৰ পুত্ৰ-পৰিবাৰ—দুয়ো কলেৰাত আক্ৰান্ত হৈ মৰিল।

এতিয়া দেবু মাস্টাৰ একেবাৰে নিঃসংগ। তদুপৰি, যেতিয়া বিপ্লৱী যুৱক যতীনকো এইখন গাঁৱৰপৰা গুচি যাবলৈ চৰকাৰে আদেশ দিলে—তেতিয়া দেবু মাস্টাৰ অধিকভাবে নিঃসংগ হৈ পৰিল।

কিন্তু তথাপি দেবু মাস্টাৰ অদমনীয় হৈ থাকিল। কিয়নো—আত্মসুখ পৰিহাৰ কৰি আনৰ কাৰণে জীৱন উছৰ্গা কৰিবলৈ—দেবু মাস্টাৰে স্বাদেশিকতাৰ অনুপ্ৰেৰণাৰে শিকিছিলেই।

তাৰাশংকৰ (১৮৯৮—১৯৭১) হ'ল অতি বংগৰ বিশিষ্ট এগৰাকী সাহিত্যিক। তেওঁ বাংলা ভাষাৰ যোগেদি অসংখ্য গল্প-উপন্যাসৰ সৃষ্টি কৰি গ'ল। এই সৃষ্টিসমূহৰ মাজত অন্যতম তেওঁৰ অপূৰ্ব সৃষ্টি 'গণ-দেৱতা'ৰ কাৰণে তেওঁ ১৯৬৭ চনত জ্ঞানপীঠ বঁটাৰে সন্মানিত কৰা হৈছিল।

আমি জানো নে ?

১. পৃথিৱীত মাত্ৰ দুটা দ্বীপত অৱস্থিত যাদুঘৰ আছে। এটা আছে মিছৰদেশৰ আৰু ছিম্‌বেলৰ ওচৰত, আনটো ভাৰতত। ক'ত সেই দ্বীপীয় যাদুঘৰ অৱস্থিত ?

২. নগৰ এখনৰ ওচৰ এহেজাৰ ঢাপ থকা এটি গোসাঁনী-দৌল এটা পাহাৰৰ ওপৰত আছে। দৌলটোৰ নাম ?

৩. কোনখন দেশে তাৰ ডাকটিকেটৰ ওপৰত কদাপি দেশৰ নাম মুদ্ৰিত কৰা নাই ?

৪. আমাৰ জাতীয় পতাকাত থকা বগা ৰঙৰ ওপৰত কি আছে ?

৫. মায়নামাৰৰ (মান বা ব্ৰহ্মদেশ) মুদ্ৰাৰ নাম কি ?

৬. ৰেডক্ৰছৰ প্ৰতিষ্ঠাতা কোন ?

৭. কিহৰ আবিষ্কাৰৰ কাৰণে এল. ই. ওৱাটাৰম্যান বিখ্যাত ?

৮. শিখ সকলৰ নৱম গুৰু কোন ?

৯. সংগীতজ্ঞ অমীৰ খুচ্‌ৰুৱে বজোৱা বাদ্যযন্ত্ৰৰ নাম ?

১০. ভাৰতৰ কোনখন ৰাজ্যই অধিকৈকৈ কাজু বাদাম ৰপ্তানি কৰে ?

১১. আইফেল টাওৱাৰ ক'ত অৱস্থিত। এই টাওৱাৰ কোনে সাজিছিল ?

১২. ড° স্যামুৱেল জনছনৰ বিখ্যাত জীৱনী কোনে লিখিছিল ?

১৩. ভাৰতৰ প্ৰাচীনতম মুদ্ৰা কোন যুগৰ ?

১৪. অনশন ধৰ্মঘট কৰি এগৰাকী ভাৰতীয় দেশপ্ৰেমিকে কাৰাগাৰত মৃত্যুবৰণ কৰিছিল। তেওঁ কোন আছিল ?

১৫. 'অপাৰেশ্যন ফ্লাড' কাক বোলে ?

উত্তৰ

১. অন্ধ্ৰপ্ৰদেশৰ নাগাৰ্জুনকোণ্ডাত।

২. মহীশূৰৰ চামুণ্ডেশ্বৰী দৌল।

৩. গ্ৰেট বৃটেইন।

৪. অশোকচক্ৰ।

৫. কায়াট বা কিয়াট।

৬. জাঁ হেন্‌ৰি ড্যুনাণ্ট।

৭. ফাউণ্টেইন পেন।

৮. গুৰু তেগ বাহাদুৰ।

৯. সৰোদ।

১০. কেৰল ৰাজ্য।

১১. ফ্ৰান্সদেশৰ পাৰী (পেৰিছ) নগৰত ৯৮৫ ফুট ওখ টাওৱাৰটো ১৮৮৭ ৮৯ চনত গুস্তাভ আইফেলে সাজিছিল।

১২. জে'মছ বছৱেল।

১৩. খৃষ্টপূৰ্ব পঞ্চম শতিকা।

১৪. যতীন দাস।

১৫. গাখীৰৰ উৎপাদন বৃদ্ধি। ইয়াক 'শ্বেত-বিপ্লৱ' বুলিও কোৱা হয়।

এক আকাশত দুই সূৰ্য্য

সুপান্ত আছিল অতি যুদ্ধিমন্ত। সুশান্তৰ স্মৰণশক্তি ইমানেই তীক্ষ্ণ আছিল যে—যি কথা এবাৰমাত্ৰ শুনিছিল, সেই কথা সি কেতিয়াও নোপাহাৰিছিল। এই কাৰণে—সকতে সকলোৱে সুশান্তক মহামেধাৱী বুলি মাতিছিল।

কিন্তু সুশান্তক দেউতাকে সুশান্তক কৈছিল, “এইখন গাঁৱত প্ৰকৃত মেধাৱী হ'ল সুনন্দ। সুনন্দই তোমাক মেধাৱী বুলি মানিলেহে—তুমিও মেধাৱী।"

এদিন সুশান্ত সুনন্দৰ কাষ চাপিল। সুনন্দই সুশান্তক ইকথা সিকথা বহুতকথা সোধাৰ অন্তত ক'লে, “ তোমাৰ জ্ঞান আৰু স্মৰণশক্তি নিশ্চয় অত্যন্ত প্ৰশংসনীয় যি কি নহওক--গাঁৱৰ মান্য-গণ্যসকলৰ আগত আমি দুয়ো এদিন বুদ্ধিৰ প্ৰতিযোগিতা পাতিম। তুমিয়েই বোধকৰোঁ জয়ী হ'বা।”

শুনি তাৰ দেউতাকে ক'লে, “সুনন্দৰ এই প্ৰস্তাৱ বৰ সাধাৰণ প্ৰস্তাৱ নহয় যেন পাইছোঁ। সাৱধান হৈ উত্তৰ দিবা।”

প্ৰতিযোগিতাৰ দিনা গাঁৱৰ মানুহ হুলদিল ভাঙি আহিল, সঠিক সময়ত সুশান্ত আৰু সুনন্দও তালৈ আহিল। তাৰ পাছ — শ্ৰোতা-সমজুৱাইঁতলৈ কৰযোৰে দুয়ো নমস্কাৰ জ্ঞাপন কৰিলে। সুনন্দই সুশান্তক ক'লে যে সিয়েই প্ৰথমতে তাক কিবা প্ৰশ্ন সোধাক।

তেতিয়া সুশান্তই সুধিলে, “সূৰ্য্যৰ ইমান পোহৰ ক'ৰপৰা ওলায়—ক'বনে ?”

সুনন্দৰ উত্তৰ শুনিবলৈ সকলোটি উৎকৰ্ণ হৈ থাকিল। কিন্তু—সুনন্দৰ চকু-

চন্দ্ৰকান্ত পণ্ডিত

মুখ শেঁতা পৰা যেন লাগিল।

সুনন্দই কিঞ্চিত ঠোটা-মোজা লাগি ক'লে, "ইয়াত সমৱেত হোৱা মাননীয় সমজুৱাসকলক এনে প্ৰশ্ন যদি সোধা হয় — তেনেহ'লে একো একোজনে একো একোবিধৰ উত্তৰ দিব। কিয়নো— প্ৰতিজনৰ ধাৰণা শক্তি একেইবিধৰ নহয়, বুদ্ধিশক্তিও একেই নহয়। শাস্ত্ৰ মতে যদি তোমাৰ প্ৰশ্নৰ উত্তৰ দিওঁ—তুমি আৰু মইহে বুজি পাম, সমজুৱাৰ মাজত কিজানি এগৰাকীয়েও বুজি নাপাব। গতিকে— এওঁসৱে সহজে বুজি পোৱা-বিধৰ প্ৰশ্নহে আমি যে কৰা আৱশ্যক— এই সামান্য কথাটো তুমি নুবুজানে কি ?"

সুশান্তই ক'লে, "ঠিক আছে, এতিয়া আপুনিয়েই কিবা প্ৰশ্ন সোধক।"

সুনন্দই সুধিলে, "জোনৰ পোহৰ ক'ৰপৰা ওলায় ?"

সুশান্তই অলপো নদমি ক'লে, "আপোনাৰ প্ৰশ্নৰ উত্তৰো যে এওঁলোকৰ বোধগম্য নহ'ব আপুনিও বুজা উচিত। এওঁলোকে বুজিব পৰা প্ৰশ্ন সোধাক !"

তেতিয়া সুনন্দই হাঁহি মাৰি ক'লে, "তুমি বাৰু আমাৰ গাঁৱৰ ৰাইজক বুদ্ধিহীন বুলি ভাবানে ? জোনৰ যে নিজৰ পোহৰ নাই আৰু সূৰ্য্যৰ পোহৰেহে যে জোনৰ পোহৰৰ উৎপত্তি হয়—আমাৰ গাঁৱৰ ৰাইজৰ মাজত এজনেও কথাটো নজনা



নহয়। কি কোৱা, মহেশ! তুমি এই কথা নাজানানে? ভাই পৰেশ! তুমি নাজানানে?" এইদৰে সুনন্দই সমজুৰাৰ মাজত বহুতকে সুধিলে আৰু সকলে-টিয়েই জানে বুলি ক'লে।

তেতিয়া সুশান্তই সুনন্দক ক'লে, "মোৰ এই একেইবিধৰ প্ৰশ্নৰ উত্তৰত তেতিয়া আপুনি যি উত্তৰ দিছিল, এতিয়া দেখোন দেখোন তাৰ বিপৰীতহে কৈছে!"

"ঠিক আছে, মানি ল'লোঁ—মই কৈছিলোঁ। পিছে — তুমি চুপচাপ হৈ আছিলা কেলেইনো? এই ডাঙৰ গাঁওখনত কেৱল আমি দুয়ো বুদ্ধিমান বুলি তুমি ভাবানে?" তাৰ পাছত সমজুৱাসকললৈ চাই ক'লে, "এইজন সুশান্ত হয়তো সাধাৰণতকৈ কিছু বুদ্ধিমান হ'ব পাৰে, ই কেৱল নিজকহে বুদ্ধিমান বুলি ভাবে, অন্য সবকে বুদ্ধিহীন বুলি ভাবে।"

ঘৰলৈ উভতি অহাৰ অন্তত সকলো কথা শুনি সুশান্তৰ দেউতাকে সুশান্তক ক'লে, "তুমি মোৰ কথালৈ তেতিয়া কৰ্ণপাতো নকৰিলা, অপমান পালা।"

সুশান্তই শান্তকণ্ঠেৰে ক'লে, "দেউতা, সুনন্দ এনেকুৱা মানুহ যে—সেই ধাৰণা মোৰ নাছিল। যি কি নহওক—এই শুককো বেদ পঢ়াম এতিয়াৰপৰা এয়ে হ'ব মোৰ জীৱনৰ অন্যতম উদ্দেশ্য।"

তেতিয়াৰেপৰাই সুশান্তই সুনন্দৰ

প্ৰতিটো কাৰ্য্য-কলাপ ভালকৈ লক্ষ্য কৰি থাকিল আৰু সুনন্দৰ ৰচিত কিতাপপত্ৰও অধ্যয়ন কৰি থাকিল। তেতিয়া সুশান্তই বুজি পালে যে—সুনন্দৰ কথা আৰু কামত তথা মুখৰ কথা আৰুবাস্তৱ বিচাৰ-বিবেচনাৰ মাজত কিমান পাৰ্থক্য !

গাঁৱৰ কিছুমানে কথাটো সুনন্দক কোৱাত সুনন্দই ক'লে, "সুশান্ত যথেষ্ট বুদ্ধিমান। সি মোৰ যিবোৰ ক্ষেত্ৰত অযোগ্যতা আছে সেইবোৰলৈ এনেকৈ আঙুলিয়াই থাকে যদি—মোৰেই লাভ, মই নিজক শুধৰাই ল'ব পাৰিম।"

পাছত সুনন্দৰ পত্নীয়ে সুনন্দক সুধিলে, "এতিয়া যি কৈছে—আগে কোৱাহেঁতেন সুশান্ত আপোনাক শাতুৰু শালিলে-হঁতেননে ? সিদিনা অকাৰণে অপুনি সুশান্তক সমজুৱাৰ আগত অপদস্থ কৰাৰ প্ৰতিফল এতিয়া পাইছে।

সুনন্দই পত্নীক ক'লে, "হাৰে পাগলী ক'ৰবাৰ ! মই জানিবুজি মকৰা-ভিচাপ কৰিহে সুশান্তক অশান্ত কৰি তুলিছিলোঁ। সুশান্ত আচলতে মহামেধাৰীয়েই। কিন্তু গাঁৱৰ ৰাইজৰ আগত মই এই কথা প্ৰমাণ কৰিব নোৱাৰোঁ যে—একেখন আকাশত দুই সূৰ্য্যও থাকিব পাৰে। এইখন গাঁৱত মোৰ বাহিৰে আন কোনোবা মোৰদৰে, বা মোতোকৈ মহা বুদ্ধিশালী বা মেধাৱী ওলাব— মইনো কিমতে মানি লওঁ ? গতিকে — সুশান্তক আবেগপ্ৰৱণ কৰি তোলাৰ বাহিৰে কোনো উপায় নাছিল। আবেগৰ আবেশৰ প্ৰভাৱত মানুহ বলিয়াহেন হৈ উঠে, আৰু তাৰ ফলত খোজে প্ৰতি ভুল তথা মূৰ্খামীও কৰিবলৈ বাধ্য হয়। বুদ্ধিমন্ত সুশান্তৰ অৱস্থাও তেনেকুৱাই হৈছে। ৰাইজৰ চকুত সি নিজে নিজেই এটাপ এটাপকৈ তললৈ —নামিছে। আৰু সি যিমানেই নামিছে ৰাইজৰ—চকুত মই উঠিছোঁ। বুজিছা ?"



আওহেলাৰ চিকিৎসা

মধুৰপুৰ গাঁৱত শ্বেতাম্বৰ নামৰ এজন বৈদ্য অৰ্থাৎ চিকিৎসক আছিল যিকোনো ধৰণৰ ফোঁহোৰা চিকিৎসা কৰাত এই বৈদ্যগৰাকী আছিল যাক বোলে ধন্বন্তৰী। এওঁ হাতেৰে ছুই দিলেও হেনো ডাঙৰ ডাঙৰ ফোঁহোৰা এনেয়ে ভাল হয় বুলি কোৱা হৈছিল।

এবাৰ দেশৰ ৰজাৰ এক বিৰাট ফোঁহোৰা হ'ল। ৰাজবৈদ্যই বহুধৰণে চেষ্টা কৰি চালে, কিন্তু ৰজাৰ ফোঁহা একোপধ্যে ভাল নহ'ল। ঠিক তেতিয়াই মহাৰাজক তেওঁৰ অনুচৰ এজনে মধুৰপুৰ গাঁৱৰ শ্বেতাম্বৰ বেজৰ কথা ক'লে। মহাৰাজে মৃদুকৈ হাঁহিৰে ক'লে, "ক'ত যে কোন প্ৰতিভা আছে— কোৱা নাযায়। ঠিক আছে, শ্বেতাম্বৰ বেজকে মাতি অনা হওক, দেখা যাওক ক'ৰ পানী ক'লৈ যায়।"

মহামন্ত্ৰীয়ে শ্বেতাম্বৰ বেজক ৰাজধানীলৈ লৈ আহিবলৈ তৎক্ষণাৎ চিপাহীৰে সৈতে পাল্‌কী পঠিয়াই দিলে।

যেতিয়া শ্বেতাম্বৰ বৈদ্যই শুনিলে যে দেশৰ ৰজাই তেওঁক মাতি পঠাইছে— তেতিয়া শ্বেতাম্বৰ বৈদ্য অতি বিস্মিত হ'ল আৰু আনন্দিতো হ'ল। তেওঁ তেতিয়াই ৰাজধানীলৈ যাবলৈ প্ৰস্তুতি ল'লে।

কিন্তু হঠাৎ শ্বেতাম্বৰে মত সলাই, চিপাহীবিলাকক ক'লে, "মহাৰাজক যদি মোৰ চিকিৎসা লাগেই, তেন্তে নিজেই আমাৰ গাঁৱলৈ আহিব পাৰে যদি—বৰ ভাল কথা হ'ব। তোমালোকে মহাৰাজক কথা এই কোৱাগৈ।"

শুনি ৰজাৰ চিপাহীবিলাক বিভ্ৰান্ত হৈ পৰিল। কি কৰিব-কি নকৰিব ভাবি

আশা সিংহ



উলিয়াব নোৱাৰি চিপাহীইঁত ৰাজধানীলৈ উলটি গ'ল।

সেনাধিপতিয়ে শ্বেতাম্বৰ বেজৰ কথাখিনি শুনি দমদমাই উঠি ক'লে, "কি! ইমান সাহস এটা লতা-পাতা শিপা বেচা বেজৰ! ইমানেই অহংকাৰ হ'লনে তাৰ! মহাৰাজ, অনুমতি দিয়ক, তাক মই এতিয়াই বান্ধি আনি ধৰি কিলাওঁ।"

কিন্তু মহাৰাজে ধীৰ-শান্ত কণ্ঠেৰে ক'লে, "লতা-পাত-শিপাৰে অদ্ভুত উপকাৰ প্ৰদৰ্শন কৰিব পৰা চিকিৎসকৰ শলাগহে ল'ব লাগে। ঠিক আছে, তেওঁ যেতিয়া নাহিল, ময়েই তেওঁৰ গাঁৱলৈ যাম, তাৰে তৎকাল বন্দৰস্ত আপুনি কৰকচোন।"

কেইজনমান অনুচৰক লগত লৈ মহাৰাজ শ্বেতাম্বৰ বৈদ্যৰ গাঁৱলৈ গ'ল। এঠাইত তেওঁ তম্বু তৰিবলৈ আদেশ কৰিলে।

সেনাধিপতিয়ে শ্বেতাম্বৰ বৈদ্যৰ ঘৰলৈ আৰু শ্বেতাম্বৰক ক'লে, "মহাৰাজ স্বয়ং তোমালোকৰ গাঁৱলৈ আহিল। হ'বনে? নে তোমাৰ ঘৰলৈকো আহিব লাগিব?"

সেনাধিপতিৰ ব্যংগপূৰ্ণ উক্তিলৈ মন নকৰি শ্বেতাম্বৰ বৈদ্য মহাৰাজৰ ওচৰলৈ গ'ল আৰু কোঁহোৰাটো পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত চিকিৎসা আৰম্ভ কৰি ক'লে, "মহাৰাজ, ব্যাধি নিৰ্মূল কৰিবলৈ ঔষধ প্ৰয়োগ যিমান আৱশ্যক, একেদৰেই পথ্য গ্ৰহণো সৰ্বাধিক আৱশ্যক। আৰু সেইহে, আপুনি আমাৰ ঘৰৰপৰা প্ৰদত্ত পথ্যখিনি আহাৰ কৰিব লাগিব আৰু আপোনাৰ জিভাক সংযত কৰিব লাগিব, আনকি কথাও কমকৈ ক'ব লাগিব।"

তাৰ পাছত শ্বেতাম্বৰে মহাৰাজৰ চিকিৎসাত লাগিল আৰু তেওঁক সাতদিনৰ ভিতৰতে ভাল কৰি তুলিলে।

মহাৰাজে শ্বেতাম্বৰৰ প্ৰশংসা কৰি ক'লে, "আপোনাৰ চিকিৎসা-পদ্ধতি তথা কুশলতা অতুলনীয়। কিন্তু — মই

আপোনাক যথোচিত ভাবে পৰিতুষ্ট কৰিব পৰা মোৰ ওচৰত একোৱেই নাই তথাপি, আপোনাৰ কিয়ৎপৰিমাণ তৃপ্তিৰ কথা ভাবি কৈছোঁ. আপোনাক কিমান ধন লাগে কওক, মই ৰাজকোষৰপৰা আপোনাক দিবলৈ আদেশ প্ৰদান কৰিম।"

তেতিয়া শ্বেতাম্বৰ বৈদ্যই নম্ৰতাৰে মহাৰাজক ক'লে, "মহাৰাজ, মোৰ জীৱন-যাপন—খেতি-খোলাৰেপৰাই চলি যায়। গতিকে—আপোনাৰ যৎসামান্য চিকিৎসা কৰাৰ পৰিবৰ্তে ধনেদি মঠ বন্ধাৰ সামান্য আশাও মোৰ মনত নাই। কিন্তু—মোৰ এটা সামান্য ইচ্ছা যদি পূৰায়—বৰ ভাল পাম আৰু কৃতজ্ঞ হৈ থাকিম।"

"কওক।" মহাৰাজে ক'লে।

"আপুনি পালকীত উঠি আমাৰ গাঁৱলৈ আহিছিল। কিন্তু ৰাজধানীলৈ উভতি যাওঁতে ৰথত উঠি যাব—এয়ে মোৰ ইচ্ছা।" শ্বেতাম্বৰ বৈদ্যই মহাৰাজক ক'লে, "মহাৰাজ, মোৰ এই ইচ্ছা তথা অনুৰোধত যদি কিবা সন্দেহ হয় আপোনাৰ মনত, ৰাজধানী পাই এই চিঠিখন পঢ়ি চাব, তেতিয়া সন্দেহ গুচিব বুলি ভাবোঁ।"

শ্বেতাম্বৰৰ ইচ্ছাৰ কথা শুনি মহাৰাজে মানিলে, যদিও সেনাধিপতিৰে সৈতে ৰথত উঠি ৰাজধানীলৈ বুলি যাত্ৰা কৰিলে।

মধুৰপুৰৰপৰা ৰাজধানীলৈ দীঘলীয়া বাটছোৱা আছিল ওখৰা-মোখৰা আৰু



তাৰ ফলত ৰথৰ ওপৰত স্থিৰ ভাৱে বহি থকাত মহাৰাজে আৰু তেওঁৰ অনুচৰ-সকলেও, আৰু সেনাধিপতিয়েও বৰ টান পাইছিল। সেনাধিপতিয়ে ভাবিলে: মহাদুষ্ট অহংকাৰী বৈদ্য শ্বেতাম্বৰে ইচ্ছা কৰিয়েই মহাৰাজক ইমান কষ্ট দিয়ালে।

সেনাধিপতিয়ে মহাৰাজক ক'লে, "মহাৰাজ, কথাটোলৈ আপুনি মন কৰিছেনে? সেই অহংকাৰী দুষ্ট শ্বেতাম্বৰে আপোনাক তাৰ গাঁৱলৈ মতাই নিয়াই নহয়, এতিয়া এই ওখোৰা-মোখোৰা বাটেৰে ৰাজধানীলৈ যোৱাৰ বন্দবস্ত কৰি আমাক কিমান যে কষ্ট দিলে! এই বৈদ্যৰ অপৰাধ অক্ষমনীয় বুলিহে ভাবোঁ। তাৰ চিঠিখন দিয়কচোন পঢ়ি চাওঁ কি লিখা আছে।"

"নপঢ়িলেও হ'ব। চিঠিখনত কি লিখা আছে—মই উমানতেই ধৰিব পাৰিছোঁ।"

ৰাজধানী পায়েই মহাৰাজে মহামন্ত্ৰীক ক'লে, "মধুৰপুৰ অঞ্চলৰ ৰাজ প্ৰতিনিধিক এতিয়াই মতাই অনাওক, আৰু সেই অঞ্চলৰ বাট-পথ মেৰামতিৰ কাৰণে যিমানি ধন ৰাজকোষৰপৰা দিয়া হৈছিল তাৰ হিচাপ এতিয়াই দিয়াৰ দিহা লওক।"

তাৰ পাছত মহাৰাজে সেনাধিপতিলৈ চাই হাঁহি মাৰি ক'লে, "শ্বেতাম্বৰ বৈদ্য অত্যন্ত বুদ্ধিমান তথা তেওঁৰ গাঁৱৰ বাইজৰ প্ৰতি সহৃদয় ব্যক্তি। আমাৰ কৰ্মচাৰী-ইতৰ ওপৰত সহস্ৰ আবেদন-নিবেদন কৰাহেঁতেনো যি কাম নহ'লহঁতেন, সেই কাম প্ৰত্যক্ষভাৱে মোৰ দৃষ্টিৰ গোচৰ কৰি কোনো গোচৰ নতৰি শ্বেতাম্বৰ বৈদ্যই কুশলতাৰে সিদ্ধ কৰিলে আৰু ফোঁহোৰাৰ লগে লগে আমাৰ মাজত থকা ৰাজকীয় আওহেলাৰো চিকিৎসা কৰিলে।"

এমাহৰ ভিতৰতে মহাৰাজে তেওঁৰ ৰাজ্যৰ ৰাজধানীৰপৰা মধুৰপুৰলৈ পকী আলিবাট নিৰ্মাণ কৰাৰ বাবে কটকটীয়াকৈ আদেশ জাৰী কৰিছিল।



২৯

বিভীষণে শ্ৰীৰামচন্দ্ৰক ক'লে, "হে ৰাম! তুমি অকাৰণ বিমৰ্ষ হৈ আছা। তোমাৰ বিমৰ্ষতাৰে কেৱল শত্ৰুৰহে আনন্দ হৈছে। ৰাক্ষসৰ নিধন আৰু সীতাৰ উদ্ধাৰেই যদি তোমাৰ ইচ্ছা, তেনেহ'লে আন চিন্তা পৰিহৰি যুদ্ধ কৰাটোহে তোমাৰ কৰ্তব্য। এতিয়া এই মুহূৰ্ততে বানৰ ভল্লুক সেনাৰে সৈতে। ইন্দ্ৰজিতে পতা নিকুম্ভিলা যজ্ঞ বিনষ্ট কৰিবলৈ লক্ষ্মণক প্ৰেৰণ কৰিব লাগে। ইন্দ্ৰজিতে যদি নিকুম্ভিলা-যজ্ঞ সমাপ্ত কৰিব পাৰে—তেনেহ'লে কথা বিষম হ'বৰ সৰ্বাধিক সম্ভাৱনা। আকৌ — এবাৰ যদি ব্ৰহ্মাদেৱৰপৰা সি ইন্দ্ৰজিত বৰপ্ৰাপ্ত হয় —তেনেহ'লে হয়তো আমাৰ মৃত্যুও তাৰ হাততে হ'ব। কিন্তু তাৰ আগতেই ইন্দ্ৰজিতক মাৰি পেলাব পাৰিলে আনকি মহাশক্তিমান মহাৰাজ ৰাৱণো নিশ্চয়েই অৰ্ধমৃত হৈ পৰিব।"

বিভীষণৰ কথা শুনি ৰামচন্দ্ৰই ইন্দ্ৰজিতক বধিবলৈ লক্ষ্মণক ক'লে আৰু লগে লগে বানৰ-ভল্লুক আদি সেনাৰে সৈতে লক্ষ্মণ যুদ্ধভূমিলৈ ওলাবলৈ সাজু হৈ পৰিল। লক্ষ্মণৰ লগ লৈ হনুমানো গৈ থাকিল। বিভীষণেও লগ ল'লে। আৰু লগ ল'লে অন্য অন্য অসংখ্য বানৰ বীৰে।

বহু দূৰৈৰপৰাই ৰাক্ষস-সৈন্যব্যূহ পৰিলক্ষিত হ'ল। সেইবোৰ ব্যূহলৈ

'ইন্দ্ৰজিত-বধ'

আঙুলিয়াই বিভীষণে লক্ষ্মণক ক'লে. "ইন্দ্ৰজিতৰ যজ্ঞ সমাপ্ত হোৱাৰ আগতেই ইন্দ্ৰজিতক বধ কৰিব লাগে। তুমি এই ৰাক্ষসব্যূহ ভেদ কৰিব পাৰিলেই ইন্দ্ৰজিতক দেখা পাবা।"

তেতিয়া লক্ষ্মণৰ নিৰ্দেশত বানৰ আৰু ভল্লুকসৈন্য ৰাক্ষসব্যূহ ছেদেলি-ভেদেলি কৰিবলৈ ধৰিলে। আৰু তৎক্ষণাৎ তুমুল" তয়াময়া লাগি পৰিল।

ৰাক্ষসসৈন্য বিগতিত পৰা দেখি যজ্ঞ অসমাপ্ত ৰাখিয়েই ইন্দ্ৰজিত উঠি থিয় হ'ল আৰু যুদ্ধলৈ ওলাল।

বিভীষণ আৰু লক্ষ্মণ আগবাঢ়ি গৈ থাকোঁতে এডৰা মহাউদ্যান দেখা পালে। এই উদ্যানতে ইন্দ্ৰজিতে নিকুম্ভিলা যজ্ঞ পাতিছিল। এই উদ্যানত কিচকিচ কৰে ক'লা অতিশয় প্ৰাচীন তথা ভয়ংকৰ-দৰ্শন এজোপা বৃক্ষ আছিল। বিভীষণ আৰু লক্ষ্মণ এখোজ-দুখোজকৈ গৈ গৈ সেই বৃক্ষৰ ওচৰত থিয় হ'লগৈ।

ঠিক তেতিয়াই ৰথোপৰি আৰূঢ় হৈ ইন্দ্ৰজিতো তালৈ আহিল।

লক্ষ্মণে ইন্দ্ৰজিতক সম্বোধি ক'লে. "হে ইন্দ্ৰজিত মই তোমাক যুদ্ধলৈ আহ্বান জনাইছোঁ. ইন্দ্ৰজিত। এতিয়াই যুদ্ধাৰম্ভ হওক এয়ে মোৰ ইচ্ছা।"

ইন্দ্ৰজিতে লক্ষ্মণৰ কথা শুনিলে আৰু লক্ষ্মণৰ কাষত থিয় হৈ থকা বিভীষণলৈ ঘৃণাৰ দৃষ্টিৰে চাই ক'লে. "হে বিভীষণ! তুমি মহান ৰাক্ষসকুলত জন্মি যে নগণ্য নৰৰ দাসত্ব কৰিবা—এই কথা আমাৰ ৰাক্ষসসকলে আগে কল্পনাও কৰিব পৰা নাছিল। আমাৰ শত্ৰুৰ ক্ৰীতদাস হৈ তুমি যে নিজ-কুলৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিবা—ই আমাৰ চিন্তাৰো অগোচৰ কথা। তোমাক নিন্দিবৰ ভাষা আমাৰ নাই। তথাপি সোধোঁ—তোমাৰ বিবেক বোলা পদাৰ্থৰ একণিও অৱশিষ্ট নাইনে? কোনকৈনো তুমি এই ৰাক্ষসকুলৰ প্ৰতি

বিশ্বাসহন্তাৰ কাৰ্য্য কৰিছা? তুমি মহতোমহীয়ান ৰাক্ষসকুলত জনমিও যে ইমান নীচতা কেনেকৈ প্ৰদৰ্শিছা— একমাত্ৰ তুমিহে জানিবা আৰু একমাত্ৰ তুমিয়েইহে ক'ব পাৰিবা।"

ইন্দ্ৰজিতৰ কুবাক্যৰ উত্তৰ বিভীষণে এই প্ৰকাৰে দিলে :

"ইন্দ্ৰজিত, তুমি মোৰ চৰিত্ৰ নজনা নহয়। মই যে সাত্ত্বিক চৰিত্ৰৰ—সেই কথা নিশ্চয় তুমিও মানিবা। গতিকে— অধৰ্মক মই একোপধ্যেই প্ৰশ্ৰয় দিব নোৱাৰোঁ। অধৰ্মৰ কাৰণেই আজি স্বৰ্ণলংকা ছাৰেখাৰে যোৱাৰ অৱস্থা। যি কি নহওক, তোমাৰ যিহেতু চাউল টুটি আহিছে, সিহেতুকে, তোমাৰ সৈতে এই বিষয়ত তৰ্কযুদ্ধত লিপ্ত হোৱাৰ কোনো আৱশ্যকতা নেদেখোঁ। তুমি মায়াসীতা বধি নৰকুলশ্ৰেষ্ঠ ৰামচন্দ্ৰক ঘোৰতৰ ভাৱে অপমান কৰিলা। এতিয়া আৰু তোমাৰ জীয়াই থকাৰ প্ৰকৃত অধিকাৰ নাই। তুমি আমাৰ লক্ষ্মণৰ বিৰুদ্ধে যুদ্ধ কৰি যমৰ আলহী হোৱা।"

ইন্দ্ৰজিতে লক্ষ্মণক ক'লে, "সিদিনা মোৰ বাণৰ সোৱাদ তুমি পাইছাই, তেনেহ'লেনো পুনৰ কিয় মোৰ বিৰুদ্ধে যুঁজিবৰ মন? অৱশ্যে তোমাৰ যদি নৰকলৈ যোৱাৰ মন আছে—তেনেহ'লে কথা বেলেগ।"



লক্ষ্মণে ক'লে, "চোৰৰদৰে অদৃশ্য হৈ থাকি যুদ্ধৰ ভেকো-ভাওনা কৰাত কিনো মহত্ত্ব? যদিহে পৰাক্ৰম বোলা পদাৰ্থ আছে—সন্মুখ-সমৰ কৰি তাৰ প্ৰমাণ দিবা। কথাৰে আখৈ ফুটাই—ফুটনিৰে বেঙেনা ভাজি কিবা লাভ?"

পাছ মুহূৰ্তৰেপৰাই দুয়োৰো মাজত প্ৰাণৰ মমতা এৰি লাগি পৰিল।

চাওঁতে চাওঁতে—লক্ষ্মণৰ পৰাক্ৰমৰ তথা বীৰতাৰ আগত ইন্দ্ৰজিত কাবু হৈ পৰাৰ লক্ষ্মণ পৰিদৃষ্ট হ'ল। তেতিয়া বিভীষণে লক্ষ্মণক এই সুযোগতে ইন্দ্ৰজিতক বধিবলৈ ইংগিত কৰিলে।

উৎসাহিত লক্ষ্মণে ইন্দ্ৰজিতলৈ টোঁৱাই তীক্ষ্ণ ধাৰ বাণ এৰিলে। সেই বাণাঘাতেৰে ইন্দ্ৰজিত মূৰ্চ্ছিত হৈ পৰিল।

কিন্তু মুহূৰ্ততে মূৰ্চ্ছাৰপৰা জাগি উঠি ইন্দ্ৰজিতে পুনৰ লক্ষ্মণক ঘূৰাই আক্ৰমণ কৰিলে, আৰু লগতে বিভীষণলৈকো বাণবৃষ্টি কৰিবলৈ ধৰিলে।

আৰু লক্ষ্মণেও অমিত বিক্ৰমেৰে ইন্দ্ৰজিতক চোকা চোকা বাণেৰে থকা সৰকা কৰিবলৈ ধৰিলে।

অকস্মাৎ ইন্দ্ৰজিত অতি উগ্ৰ হৈ উঠিল আৰু লক্ষ্মণৰ কৱচ বাণেৰে উৰাই দিলে।

এইদৰে দুয়ো বীভৎসভাৱে যুদ্ধ কৰি থাকিল আৰু এই বিষম যুদ্ধ প্ৰত্যক্ষ কৰি বিভীষণেও তেওঁৰ চাৰিজন অনুচৰৰে সৈতে এই যুদ্ধত যোগ দিবলৈ মন মেলিলে।

বিভীষণে ৰামভক্ত বানৰ-সৈন্যহঁতক উদ্দেশি কৈ থাকিল:

"হে বানৰ বীৰসকল! এতিয়া এই ইন্দ্ৰজিতক বাহিৰে আন কোনো ৰাক্ষসবীৰ অৱশিষ্ট হৈ থকা নাই। তোমালোকে উল্লেখযোগ্য আন সকলো ৰাক্ষসবীৰক ইতিমধ্যে বধিলা। ঠিক তেনেকৈয়েই তোমালোকে ইন্দ্ৰজিতকো বধিব নোৱাৰিবানে? ইয়াক—এই ইন্দ্ৰজিতক বধিব পৰাহেঁতেন ৰাক্ষস

শক্তিৰ পৰিপূৰ্ণ পতন হ'লহেঁতেন। ইয়াক —এই ৰাক্ষস ইন্দ্ৰজিতক মযেই বধিব পাৰিলোঁহেঁতেন, কিন্তু ইন্দ্ৰজিত মোৰ পুত্ৰসম, গতিকে—এই কৰ্ম অপকৰ্ম মোৰ তথা সাধ্যৰ বাহিৰ।

যুদ্ধত ইন্দ্ৰজিতক সহায় কৰা ৰাক্ষস সেনাহঁতক তোমালোকে যিমান তুৰন্তে পৰা নিৰ্মূল কৰাঁ।"

বিভীষণৰ কথা শুনি বানৰসৰে জঁাপ মাৰি মাৰি সিংহনাদ কৰিবলৈ ধৰিলে আৰু লগে লগে ৰাক্ষসসেনাকো উধা-মুধাকৈ এফালৰপৰা কচুকটা দিবলৈ ধৰিলে।

ইতিমধ্যে লক্ষ্মণে ইন্দ্ৰজিতৰ ৰথৰ সাৰথিৰ মুণ্ড বাণেৰে কাটি দ্বিখণ্ডিত কৰি পেলালে। তেতিয়া ইন্দ্ৰজিতে নিজেই নিজৰ ৰথৰ সাৰথি হৈ যুদ্ধ কৰিবলৈ ধৰিলে। যদিও সাৰথিৰ অবিহনে অসহায় হৈ পৰা ইন্দ্ৰজিতৰ চকু-মুখত হতাশা তথা ভীতিৰ ভাব ফুটি উঠিল।

ইন্দ্ৰজিতৰ ভীতিযুক্ত ভাৱ-ভংগীলৈ চাই বিভীষণ আৰু বানৰ সৈন্যহঁত উৎফুল্লিত হৈ উঠিল আৰু এইবাৰ বানৰ-সেনাহঁতে ৰাক্ষসসেনাবিলাকক এফালৰপৰা কচুকটা দিবলৈ ধৰিলে।

শৰভ, ৰভস, গন্ধমাদন আৰু প্ৰমলা নামৰ চাৰিও বানৰবীৰে চাৰিওফালৰপৰা ইন্দ্ৰজিতৰ ৰথক আগুৰি ধৰিলে। তেতিয়া ইন্দ্ৰজিত ৰথৰপৰা জঁাপ মাৰি তললৈ নামি আহিল আৰু লক্ষ্মণলৈ টোঁৱাই বাণবৃষ্টি কৰি থাকিল।

ইন্দ্ৰজিতে ৰাক্ষসহঁতক উদ্দেশি ক'লে, "তোমালোকে যুদ্ধ কৰি থাকা, মই নতুন ৰথ আৰু সাৰথিৰে এতিয়াই আকৌ ইয়ালৈ আহিম।"

ইন্দ্ৰজিত মুহূৰ্ততে যুদ্ধভূমি এৰি গুচি গ'ল আৰু কোনেও টলকিবলৈ নৌপাওঁতেই পুনৰ নতুন ৰথ আৰু সাৰথিৰে উভতি আহিল। পুনৰ নতুন ৰথ আৰু সাৰথিক দেখা পাই লক্ষ্মণ আৰু

বিভীষণো অত্যন্ত বিস্মিত হ'ল।

এইবাৰ ইন্দ্ৰজিতে বানৰসৈন্যইতকো গাজৰ-মূলাৰ দৰে কাটি থাকিল। লক্ষ্মণে সঠিকভাবে টোঁৱাই এক সুতীক্ষ্ণ বাণেৰে ইন্দ্ৰজিতৰ ধনু খণ্ড-বিখণ্ড কৰি পেলালে আৰু ইন্দ্ৰজিতৰ নতুন ৰথৰ সাৰথি আৰু লগতে অশ্ববিলাককো মাৰি পেলালে।

তাৰ পাছত লক্ষ্মণ আৰু ইন্দ্ৰজিতে পৰস্পৰলৈ দিব্যাস্ত্ৰ প্ৰয়োগ কৰি থাকিল। অৱশেষত লক্ষ্মণে ইন্দ্ৰজিতলৈ ইন্দ্ৰাস্ত্ৰ প্ৰয়োগ কৰাত ইন্দ্ৰজিতৰ মস্তক দ্বিখণ্ডিত হৈ তললৈ বাগৰি পৰিল।

এইদৰে—ইন্দ্ৰজিতক বধিবলৈ সক্ষম হোৱাত লক্ষ্মণক সকলোটিয়েই একমুখে প্ৰশংসা কৰি থাকিল। তাৰ পাছত লক্ষ্মণ ৰামচন্দ্ৰৰ ওচৰলৈ গ'ল।

ৰামচন্দ্ৰই অনুজ লক্ষ্মণক বুকুত আঁকোৱালি ল'লে আৰু ক'লে, "ইন্দ্ৰজিতৰ মৃত্যুৰ অৰ্থ হ'ল ৰাক্ষসৰাজ ৰাৱণৰ দক্ষিণহস্ত নথকা। এতিয়া শক্তি-হীন ৰাৱণক আমি নিশ্চিতভাৱেই হেলাৰঙে বধিব পাৰিম।"

এই বুলি কোৱাৰ অন্তত যুদ্ধকালত লক্ষ্মণৰ সেই আহত হোৱা ঠাইবোৰৰ সুচিকিৎসা কৰিবলৈ ৰামচন্দ্ৰই সুষেণক আদেশ প্ৰদান কৰিলে।

ইন্দ্ৰজিতৰ সৈতে অহা ৰাক্ষসসৈন্য-বিলাক ইন্দ্ৰজিতৰ শোকত অভিভূত হৈ কান্দি কান্দি যুদ্ধক্ষেত্ৰৰপৰা লংকাপুৰী পালেগৈ আৰু ইইতৰপৰা ইন্দ্ৰজিতৰ মৃত্যুৰ মহাদুঃখপ্ৰদ বাতৰি পাই মহাপ্ৰতাপী মহাৰাজ দশানন—তথা মহাৰাজ ৰাৱণ শোকে-দুখে মুহ্যমান হৈ পাটী ল'লে।

কিন্তু পাছ মুহূৰ্ত্তত এই পুত্ৰশোক অগ্নিসম ক্ৰোধলৈ ৰূপান্তৰিত হ'ল আৰু তেওঁ বজ্ৰ কণ্ঠেৰে কৈ উঠিল, "ইন্দ্ৰজিতে মায়া-সীতাক বধিছিল, আমি এতিয়া প্ৰকৃত সীতাক বধ কৰিম।"

এই বুলি কৈয়েই মহাৰাজ ৰাৱণে

কোষৰপৰা তৰৱাৰি নিষ্কাশিত কৰি সীতা দেৱীক সত্যে সত্যে বধ কৰিবলৈ ওলোৱা দেখি ৰাৱণ-পত্নী মন্দোদৰীয়ে পতিক বাধা দি কৈ উঠিল, "উগ্ৰ মস্তিষ্কত এনেবোৰ কাম, বা কোনো গুৰুত্বপূৰ্ণ কামেই কৰিব নাপায়. আৰু আপুনি নিশ্চয় এনে কাম কৰি লংকাপুৰীখনত এতিয়াও জীয়াই থকা ৰাক্ষস নৰ-নাৰীৰ. তথা আমাৰ বা আপোনাৰো অধিক বিপদ আহ্বান কৰি নানিব। সীতাক অকাৰণে বধ কৰাৰ অৰ্থ হ'ব অবাবতে অধিক বিপদৰ মাজত সোমাই পৰা। যি ক্ষয়-ক্ষতি লংকাপুৰীৰ হ'ল—সি অপূৰণীয়। কিন্তু ততোধিক ক্ষয়-ক্ষতিৰ সম্ভাৱনা থকা কাৰ্য্য কিয়নো কৰিব লাগিব? হে প্ৰভু! আপুনি সৰ্বশক্তিমান সৰ্ববিদ্যাবিশাৰদ আৰু বুজ-বিবেচনা থকা। আপোনাক ইয়াতোকৈ আৰু অধিককৈ বুজাই ক'ব লাগিবনে?"

"আপোনাৰ ক্ৰোধ আপুনি ৰামচন্দ্ৰৰ ওপৰলৈ বৰ্ষণ কৰক। সীতাদেৱীক বধি কিনো ফল লাভ হ'ব?" মহাৰাজ ৰাৱণৰ মন্ত্ৰিবৰ্গৰ মাজতো কোনো কোনোৱে মন্তব্য কৰিলে।

তেতিয়া মহাৰাজ ৰাৱণেও উপলব্ধি কৰিলে যে—তেওঁৰ কৰ্তব্য হ'ল ৰামচন্দ্ৰৰ নিধন, সীতাৰ নিধন নহয়। আৰু—সীতা হ'ল এগৰাকী অসহায়া নাৰী। নাৰীহত্যা কোনো পুৰুষক নোশোভে। এই কাৰ্য্য কৰিলে যে ত্ৰিজগতত তেওঁৰ কাপুৰুষীয় চৰিত্ৰৰ ৰৌটি উঠিব—সেই কথা ভাবি অপৰিমেয় ক্ৰোধান্বিত মহাপ্ৰতাপান্বিত ৰাৱণ মহাৰাজ এনে গৰিহিত কাৰ্য্য তৎক্ষণাৎ কৰাৰপৰা নিৰস্ত হ'ল।

তৎপশ্চাত—মহিমান্বিত ত্ৰিলোকবিজয়ী ৰাক্ষসকুলতিলক মহাৰাজ ৰাৱণে ৰামচন্দ্ৰৰ নিধনৰ বাবে উগ্ৰ লংকাযজ্ঞ পতাৰ প্ৰস্তুতি ল'লে। [অহা সংখ্যাত

সম্বাদ-বিচিত্ৰা

কৃত্ৰিম বৰষুণ

প্ৰাকৃতিক বৰষুণ নাছিল, এই বৰষুণ আছিল 'প্ৰজেক্ট্ ৰেইনড্ৰপ' নামৰ পৰীক্ষামূলক কৃত্ৰিম বৰষুণ। কৃত্ৰিম বৰষুণৰ বাবে বাছি লোৱা ২৭খন অঞ্চলৰ মাজত কচ্ছ্ অঞ্চলও আছিল অন্যতম। এই পৰীক্ষা-নিৰীক্ষাৰ যোগে ছিলভাৰ আইওডাইডক পুৰি যোৱা কয়লালৈ ৰূপান্তৰিত কৰি মেঘৰ দেশলৈ পঠোৱা হৈছিল আৰু এই উপায়ে কৃত্ৰিম বৰষুণ নমোৱা হৈছিল। আৰু তাৰ বাবে



এক বিশেষ তাপমাত্ৰাৰ আৰু আৰ্দ্ৰতাৰও আৱশ্যক হৈছিল। এই কৃত্ৰিম বৰষুণ একেৰাহে চাৰি দিন ধৰি চলিছিল। অৱশ্যে — এই পৰীক্ষাৰ সাফল্যৰ বাবে মহাৰাজ ইন্দ্ৰলৈ তেওঁৰ বিখ্যাত ইন্দ্ৰধনু পঠাবলৈকো খাটিছিল।



মানুহৰ অভিধান

সম্প্ৰতি আমি অন্ধ যুৱা কেইজনমানে পৰ্বতৰ টিং পোৱাৰ বাতৰি পঢ়িলোঁ। এতিয়া—এগৰাকী প্ৰতিবন্ধী অৰ্থাৎ পংগু যুৱতীয়ে বিস্ময়কৰ ভাবে ইংলিচ চ্যানেল সাঁতুৰি পাৰ হোৱাৰ কথা জনা গ'ল। বাংগালোৰত ঘৰ, তাতেই ব্যাংকত কাম কৰা। জানকীয়ে সাধাৰণভাবে হাতেৰে চলোৱা গাড়ী এখন অৰ্থাৎ হুয়িলচেয়াৰত বহি অ'লৈ-ত'লৈ অহা-যোৱা ঘূৰা-ফুৰা কৰে যোৱা জুলাই মাহৰ ২৯ তাৰিখৰ দিনা জানকীয়ে দুৰন্ত ঢৌ উঠা ইংলিছ চ্যানেলৰ শ্বেকছপিয়াৰ-তীৰৰপৰা ফ্ৰান্সৰ উইছা—৩৭ কিল'মিটাৰ সাঁতুৰি পাৰ হ'ল। জানকীয়ে বাংগালোৰতে সন্তৰণ-শিক্ষা লৈছিল আৰু ম্যালপে বিচ্চত সাগৰৰ বুকত সাঁতোৰাত প্ৰশিক্ষণ লৈ তাতেই ৭ মাইল দূৰবৰ্তী ছেইণ্ট মাৰী দ্বীপলৈ সাঁতুৰি গৈছিল। তাৰ পাছত ইংলিছ চ্যানেল পাৰ হৈ জানকী এতিয়া 'গিনেজ বুক'ত ঠাই পোৱাৰ অপেক্ষাত!



বাঢ়নৰ বিপদ

১১ বছৰ বয়সলৈকে অন্ধ্ৰপ্ৰদেশৰ ল'ৰা কৰিমনগৰ জিলাৰ ৪ ফুটীয়া কে. গাণ্ডিয়াৰ মাজত অস্বাভাৱিকতা পৰিলক্ষিত হোৱা নাছিল। কিন্তু তাৰ ১৮ বছৰ বয়সকালত সি হ'ল এতিয়া ভাৰতবৰ্ষৰ আটাইতকৈ ওখ মানুহ। বহু চেষ্টাৰে ডাকটৰসকলে তাক আকাশলংঘা হোৱাৰপৰা ৰক্ষা কৰিলে। ১২ গৰাকী ডাকটৰৰ তত্ত্বাৱধানত দুগৰাকী বিখ্যাত ছাৰ্জেনে পাঁচ ঘণ্টা ধৰি এই অপাৰেশ্যান কৰি ল'ৰাটোৰ শৰীৰপৰা পিটুইট্যাৰি টিউমাৰ এটা উলিয়াই আনি তাক আকাশ-বাঢ়নে-বঢ়াৰ বিপদৰ পৰা ৰক্ষা কৰিলে!

কথাৰ কথা

চিত্ৰদুৰ্গ গাঁৱত সদাশিৱ আৰু মহাদেৱ নামৰ দুজন বেপাৰী আছিল। দুয়োজনেই বেপাৰী, সেইহে পৰস্পৰৰ মাজত আছিল বন্ধুতা। সদাশিৱ আছিল মুকলি মনৰ. কিন্তু মহাদেৱ আছিল মিঠা পুখুৰীত বিহ দিয়াবিধৰ। আনৰ উন্নতিত মহাদেৱৰ বুকত জুই জ্বলি ছিল।

সদাশিৱক ভদ্ৰ মৰমিয়াল উদাৰমনা বুলি জানি ৰাইজে তেওঁক শ্ৰদ্ধা কৰে— এই কথাত মহাদেৱৰ মনত সদাশিৱলৈ ঈৰ্ষা উপজিল। সি ভাবিলে : ই শুকক বেদ পঢ়াৰ লাগিব. সি এইবাৰ শূদ্ৰৰপৰা বেদ শিকিব লাগিব হালত বাব পৰাটোক যেনেকৈয়েই নহওক শিকনি দিব লাগিব।

সদাশিৱৰ ছোৱালীজনী গাভৰু হৈ উঠিল. তাইৰ বিয়াৰ বয়সো হ'ল আৰু তাইৰ বাবে দৰাও বিচাৰি পোৱা গ'ল। কিন্তু হাতত নাই পইচা-পাতি. কি হ'বনো বিয়া পাতি ?

কিন্তু কথাতে বোলে—ছোৱালীৰ বিয়া। নাপাতিলে সমাজখনে কিজানি টাবচিলিঙিয়েই কৰিব। গতিকে—ভাবি ভাবি শেহলৈ সদাশিৱ মহাদেৱৰ কায চাপিল আৰু কিছু টকা ধাৰলৈ খুজিলে।

সদাশিৱে টকা ধাৰলৈ খোজাত মহাদেৱে মুখৰ মেহাৰেৰে, ক'লে. "জানাই নহয় কথাটো—সচাঁহতে মোৰ সৰুজনী ছোৱালীৰ বিয়াত শকত পৰিমাণৰ ধন দিবলগা হ'লৈ যে— ? তুমি আন কাৰোবাৰ ওচৰলৈ যোৱা. সদাশিৱ।"

মহাদেৱক ক'লে, "মইনো আৰু কাৰ ওচৰলৈ ধাৰ খুজিমগৈ ? যেনেতেনে মোক টকাখিনি বন্দৱস্ত কৰি দিয়া. লাগিলে — পাছত মোৰ গাৰ ছালেৰে

সুবৰ্ণা চক্ৰবৰ্তী

তোমাৰ জোতা বনাই দিম।"

মহাদেৱে ক্ষন্তেকমান ভাবি লৈ ক'লে, "মই তোমাক নাই নহ'ব বুলি কওঁ কেনেকৈ যে—। কিছুদিনৰ আগতে মোৰ সমন্ধীয়া এজনৰ মোমায়েৰে মোৰ হাতত কিছুখিনি ধন গটাই দিলে — আৰু ধনখিনি সুতত খটাবলৈ ক'লে। ঠিক আছে, লাগিলে তোমাক তাৰেপৰাই দিম।

সদাশিৱৰ ছোৱালীজনীৰ বিয়াখন সুকলমেই হৈ গ'ল। পাঁচ মহমানৰ অন্তত সদাশিৱে মহাদেৱৰ টকাখিনি সুতে-মূলে ওভোতাই দিওঁতে ক'লে, "সিদিনা তুমি টকাখিনি দি বৰ সহায়খন কৰিছিলা।

মহাদেৱে ক'লে, "হব। পিছে—তুমি যে জোতা এযোৰ দিবা বুলি কৈছিলা?"

"জোতা—? তাৰ মানে—?"

"ইয়াকে বোলে কলিকাল ঘোৰ। কাম হৈ যোৱাৰ অন্তত কাণ-টাহা। হাৰে!—মোৰপৰা ধন ধাৰলৈ লওঁতে কি কৈছিলা মনত পৰা নাইনে? কৈছিলা যে—লাগিলে তোমাৰ গাৰ ছালেৰে মোক জোতা বনাই দিবা। কথাটো পাহৰি থাকিলা কেলেইহে?" মহাদেৱে ক'লে।

"ধেমালিৰ কথাত এনেকৈ এহালি-এমালি কৰি থাকিলে কি লাভ কোৱাচোন? কথাৰ লাচত এনেবোৰ কথা জীৱনত ঢেৰ



হয়। সেই বুলি সকলো সঁচা নহয় যে—"

কিন্তু মহাদেৱৰ তথাপি খং উঠিল আৰু খঙাল মাতেৰেই ক'লে, "তোমাৰ লগত কিহৰনো ধেমালিহে? কথা কথায়েই কথা দিছিলা, সেই কথাৰ দাম দিয়া।"

মহাদেৱৰ চিঞৰ-বাখৰ শুনি এজন-দুজন-চাৰিজনকৈ ভালমান মানুহ গোট খালেহি। কিছুমানে মহাদেৱক বিষয়টো বুজাবলৈ চেষ্টা কৰিলে। কিন্তু মহাদেৱ আছিল মৰিলেও ধনঞ্জয় বায়ুৰে নেৰাবিধৰ মানুহ। সি সদাশিৱৰ মঙহ চোবাই খাবলৈ দাঁত ধৰাই থাকিল।

যেতিয়া দুয়ো কোনোপধ্যেই এই

বিষয়ৰ মীমাংসা কৰিব নোৱাৰা হ'ল— তেতিয়া মহাদেৱ গাঁৱৰ গাঁওবুঢ়াৰ কাষ চাপিল। গাঁওবুঢ়াই ঘোচ খাই মহাদেৱৰ হৈ মাত মাতিলে : ওঁ, দিব লাগিব তো। সদাশিৱই তাৰ গাৰ ছালেৰে জোতা বনাই দিব লাগিবই।

বিমোৰত পৰি সদাশিৱে তেওঁৰ জী-জোঁৱায়েকৰ পৰামৰ্শত তেতিয়া দেশৰ ৰজাৰ ওচৰত মহাদেৱৰ বিৰুদ্ধে গোচৰ তৰিলে। মহাৰাজে মহাদেৱক মতাই অনাই তাৰ কথাও শুনিলে আৰু দুয়োজনক পুনৰ সাতদিনৰ অন্তত বিচাৰৰ বাবে আহিবলৈ ক'লে।

ইতিমধ্যে—এদিন মহাদেৱ চহৰলৈ বুলি ওলাল। বাটত হাবি থকা ঠাই এডোখৰত দহটামান চোৰে মহাদেৱক আগুৰি ধৰিলে। ঠিক তেতিয়াই ধোঁৱাত উঠি মহাৰাজ বিপৰীত ফালৰপৰা আহি থকা দেখা পাই মহাদেৱে চিঞৰি চিঞৰি মহাদেৱক ক'লে, "মহাৰাজ! দয়া কৰি মোক এই চোৰবিলাকৰ কবলৰপৰা বচাওক—। বচাওক মহাৰাজ! মই মৰি আপোনাৰ আপোনাৰ পুত্ৰ হৈ জনমি এই ঋণ পৰিশোধ কৰিম—মহাৰাজ!"

মহাৰাজে খাপৰপৰা চোকৰ তৰোৱাল উলিয়াই চোৰবিলাকক খেদি দিলে।

মহাদেৱে মহাৰাজক আভূমি প্ৰণাম কৰি পুনৰ খোজ ল'লে।

সাতদিনৰ অন্তত বিচাৰৰ বাবে পুনৰ সদাশিৱ আৰু মহাদেৱও ৰাজসভালৈ আহিল। মহাৰাজে বিচাৰ কৰি ৰায় দিলে যে—সদাশিৱই তাৰ নিজৰ গাৰ ছালেৰে মহাদেৱক জোতা বনাই দিবই লাগিব।

মহাৰাজৰ বিচাৰৰ ৰায় শুনি সদাশিৱ কঁপি থাকিল। আনকি ৰাজসভাৰ পাৰিষদ সকলো এই ৰায় শুনি স্তম্ভিত হ'ল। মহাদেৱৰ মনত কিন্তু নধৰ-নপৰ লাগিল।

ঠিক তেতিয়াই মহাৰাজে মহাদেৱক ক'লে, "শুনা, মহাদেৱ, তুমি নিশ্চয় সুবিচাৰ পালা। এতিয়া—তুমি যে মোক কথা দিছিলা—সেই কথাত তুমিও কিন্তু ব লাগিব। বুজিছাই নহয়?"

"কি কথা, মহাৰাজ—?" মহাদেৱে ভেবা লাগি সুধিলে।" কিহত ব'ম?"

"এয়া—মাত্ৰ তিনি দিনৰ আগতে—চোৰবিলাকৰ কবলৰপৰা ৰক্ষা কৰাৰ বাবে—সেই যে—মৰি মোৰ পুত্ৰ হৈ জনমি ঋণ পৰিশোধ কৰিবা বুলি কৈছিলা যে—? সদাশিৱৰ দৰে এতিয়া তুমিও তোমাৰ সেই কথা ৰক্ষা কৰা।" মহাৰাজে ক'লে।

শুনি মহাদেৱৰ মৰি যাওঁ মৰি যাওঁ যেন লাগিল! সি ধাৰৰ নল কঁপা দি কঁপি কঁপি ক'লে, "সেই কথা কথাৰ কথা হিচাপে কৈছিলোঁ, মহাৰাজ!"

মহাৰাজে ক'লে, "কিন্তু—কথাৰ কথাও কথায়েই। কথা ক'বৰ সময়ত মনত ৰাখিব



লাগে যে শুনোতাই পাছত কথাৰ ধাৰ বুজি খেও দিব পাৰে। গতিকে—কথা ক'লেই তো নহ'ব—কথাৰো মাথা-মুণ্ড থাকিব লাগিব। ভাবি চোৱা—সদাশিৱই তোমাক কথা দিছিল বাবেহে এতিয়া শলঠেকত পৰিল। তেনেহ'লে—একেটাই কাম কৰি তুমিনো সাৰিবা কেনেকৈ? আৰু—মই তো একেইবিধৰ জগৰৰ দুইবিধৰ ৰায় দিব নোৱাৰোঁ। যি কি নহওক — তুমি এতিয়া মৰিবলৈ সাজু হোৱা। জানাই—মৰাৰ খড়ি ৰজাৰ কড়িৰপৰা ক'তো কোনেও ৰেহাই নাপায়। গতিকে—এতিয়া তুমি তোমাৰ কথাত ৰৈ দিয়া—আৰু ৰৈ দি মৰি যোৱা—আৰু তাৰ পাছত মোৰ পুত্ৰ হৈ জনমি সদাশিৱৰ গাৰ ছালৰ বনোৱা জোতা মনে-খোৱা-মতে পিন্ধি থাকিবা।"

তেতিয়াহে মহাৰাজৰ চতুৰালিৰ কথা ৰাজ-সভাৰ পাৰিষদসকলৰ বোধগম্য হ'ল আৰু তেওঁলোকে মহাৰাজৰ এনেহেন অভিনৱ ধৰণৰ অতি কৌশলী চতুৰালি চাই গিৰ্জনি মাৰি হাঁহি উঠিল।

হঠাৎ মহাদেৱ পোনে পোনেই কটা কলগছৰ দৰে মহাৰাজৰ ভৰিৰ আগত উবুৰি খাই পৰিল আৰু কন্দনামুৱা হৈ সদাশিৱৰ প্ৰতি নিজৰ অপৰাধৰ কথা নিজ মুখে স্বীকাৰ কৰি মহাৰাজৰপৰা ক্ষমা প্ৰাৰ্থনা কৰিলে আৰু এনে অন্যায় কাম জীৱনত আৰু কদাপি নকৰিব বুলি আঁঠু কাঢ়ি ভৰিত ধৰি সৈ কাঢ়ি প্ৰতিশ্ৰুতি দিলে।

মহাৰাজে ঘোচখোৰ গাঁওবুঢ়াটোক ৰাজকীয় কামৰপৰা বৰ্খাস্ত কৰিলে আৰু মহাদেৱৰ অন্যায় কামলৈ সমৰ্থন কৰাইঁতকো সকলোৰা দণ্ড দিলে।

পাছত মহাদেৱ তাৰ কথাত ৰৈছিল। মহাদেৱে আৰু কোনোদিনেই কাকো শলঠেকত পেলাই ৰং চোৱা নাছিল।

গাই-গুৱালৰ মিল

কোনোবা এগৰাকী জমিদাৰৰ খীৰঁতী গাই কিনাৰ বৰ নিচা। গাঁৱত বা গাঁৱৰ ওচৰে-কাষৰে যেতিয়াই গাই-গৰু বেচাকিনাৰ হাট বহে, চাকৰ-নাকৰইতক লগত লৈ জমিদাৰ ডাঙৰীয়া হাটলৈ আহে, ভালৰো ভাল চাই খীৰঁতী-গাই কিনে।

এবাৰ গাই-ম'হ বেচাকিনাৰ হাটত জমিদাৰে কোনো এজনীও ভাল খীৰঁতী গাই নাপাই যেতিয়া ঘৰমুৱা হ'ল—তেতিয়া কোনোবা এজন গুৱালে দামুৰিৰে সৈতে গাই এজনী খেদি খেদি লৈ অহা দেখি জমিদাৰে বৈ দিলে।

মানুহজন যেতিয়া ওচৰ চাপিল—জমিদাৰে মানুহজনক সুধিলে, "গাইজনী—বেচিবলৈ লৈ আহিছানে কি?"

"নহ'লেনো এনেয়ে সিমানদূৰৰপৰা খেদি খেদি শৈ আহিছোঁনে?" গুৱালে মুখত পিঠা ভৰাই কোৱাৰ দৰে ক'লে।

"গাইজনী ভালনে?" জমিদাৰে সুধিলে।

"মোৰেই গাইজনীদ মযেই বেয়া বুলি ক'মনে? ই-ও কোনো প্ৰশ্ন হ'ল জানো?"

"ওঁ, ওঁ—ঠিক আছে। এতিয়া কোৱা, তোমাৰ গাইজনীয়ে শিঙিৰে খুন্দিয়ায়নে?"

"তাইক জলা-কলা কৰি থাকিলে শিঙিৰে নুখুন্দিয়াই কি কৰিব? মানুহক জলা-কলা কৰিলে গালি-ছালি পাৰিব, পশুৱে শিঙিৰে খুন্দিয়াব—এয়া সাধাৰণ কথা।" গুৱালে ক'লে।

"বাৰু, এইবাৰ কোৱা—গাইজনীয়ে গাখীৰ কিমানকৈ দিয়ে?"

"এই কথা খৰচি মাৰি কোৱা টান। কেতিয়াবা বেছি, অকৌ কেতিয়াবা কম। পিছে—তাইৰ গাখীৰ যিমান থাকে—নিদিয়াকৈ নাথাকে যে—সেই কথা মই ন-দি ক'ব পাৰোঁ।"

এইবাৰ জমিদাৰে হাঁহি মাৰি গাইজনীৰ দাম কিমান ল'ব বুলি সোধাত গুৱালে যিমান দাম খুজিলে জমিদাৰে তাতোকৈ দহ মুদ্ৰা অধিক দাম দি দামুৰিৰে সৈতে গাইজনা কিনিলে।



ধৰ্ম আৰু কৌশল

একালত ইৰানদেশত ইব্ৰাহিম আৰু ইছমাইল্ল নামৰ দুজন খৰিকটীয়া আছিল। সিহঁতে সদায় ভাবিছিল: কিবা উপায়ে হয়তো কোনোবাদিনা সিহঁত অমীৰ—ধনী হ'ব, ধনতে শিতান দি থাকিব পৰা হ'ব।

ইব্ৰাহিমৰ আছিল খোদাৰ প্ৰতি আৰু বাদছাহৰ প্ৰতিও ভক্তি। গতিকে—কেতিয়াবা অমীৰ অৰ্থাৎ ধনী হ'লেও খুদা আৰু বাদছাহৰ দোৱাৰে—আশীৰ্বাদেৰেই হ'ল বুলি ভাবিব। কিন্তু ইছমাইলৰ কথা বেলেগ। ইছমাইলে ভাবে—অমীৰ হ'ব পাৰি বুদ্ধি-কৌশলেৰেহে। তাতনো আল্লাই বা বাদছাই কি কৰিব?

এদিন ইছমাইলে ইব্ৰাহিমক ক'লে, "হেৰাহে ইব্ৰাহিম, হাবি-জংগলতো যে গুপ্তধন পায়—জানানে নাজানা? আমিও যদি তেনেকৈ পাওঁ গুপ্তধন—তুমি বাৰু কেনে পাবা কোৱাচোঁ?"

"পালেও বা কি হ'ব? গুপ্তধন মানেই হ'ল—ৰাইজৰ আৰু ৰজাৰ সম্পত্তি। গতিকে—তেনেকুৱা কিবা পালেও সেই গুপ্তধন বাদছাক দিয়াটোহে আমাৰ পক্ষে উচিত হ'ব।" ইব্ৰাহিম ইছমাইলক ক'লে।

"উচিত!" ইছমাইলে ইতিকিঙৰ সুৰতে কৈ উঠিল, "উচিত মানে—? এইবোৰ হ'ল ফুচুৰি কথা।"

পাছ দিনাও আন দিনাৰ দৰে দুয়ো হাবিলৈ গ'ল। হাবিত এজোপা শুকান গছ পাই ইব্ৰাহিমে ৰংমনে শুকান গছজোপা কাটি থাকিল। কাটি কাটি গছজোপাৰ মূঢ়াটো আৰু নকটাকে স্থিৰ

'ইৰানদেশৰ লোক-কাহিনী'

কৰিলে। কিন্তু মুহূর্তমানৰ পাছত মত সলাই মূঢ়াটোতো কুঠাৰেৰে মাৰিলে এঘাপ। আৰু—আৰু লগে লগে মূঢ়াটোৰ তলৰপৰা ওলাই পৰিল এটা সোণৰ পাত্ৰ। আৰু সোণৰ পাত্ৰটোৰ ভিতৰত ঠাহ খোৱা থৰে-বিথৰে সোণৰ মোহৰ!

ইব্ৰাহিম দৌৰি দৌৰি ইছমাইলৰ ওচৰলৈ গ'ল আৰু তাক সকলো কথা ক'লে। ইছমাইলে ক'লে, "হ'ল বাৰু, পালা ধন-সোণ। এতিয়া কি কৰা?"

"কৰিম আৰুনো কি? বাদছাক দিয়াৰ বাহিৰে আৰু কিনো কৰিম? বাদছাই যদি কিবাকিবি উপহাৰ—পুৰস্কাৰ দিয়ে—দিব।" ইব্ৰাহিমে ক'লে।

"বছ—?" ইছমাইলে ক'লে, "হাৰে নাবালক! পালা তুমি,—তো বাদছাহনো কোন এলেকৰ পেলেক?" "পাব লগা পাবা, যাবলগা যাব। কিন্তু অনিয়ায় কৰিলে দোজখত নাম থাকি যাব যে—জানানে নাজানা?"

ইছমাইলে ইব্ৰাহিমৰ এই কথাৰ কোনো জৱাব নিদিলে, নিজৰ কাম আগৰ দ.াই কৰিবলৈ ধৰিলে।

ইছমাইলে আনকি সোণৰ পাত্ৰটো তথা গুপ্তধনখিনি এবাৰ চাবলৈকো নহাত ইব্ৰাহিমে ইচমাইলক বেয়া পালে।

তাৰ পাছত ইব্ৰাহিমে সোণৰ পাত্ৰটো আৰু দিনাৰখিনি অৰ্থাৎ সোণৰ মোহৰখিনি বাদছাহৰ ওচৰলৈ লৈ গ'ল।

বাদছাহে পৰিপূৰ্ণ দৰবাৰত অৰ্থাৎ ৰাজসভাত — ইব্ৰাহিমৰ সততাৰ তথা ৰাজভক্তিৰ শলাগ ল'লে আৰু তাক এশ দিনাৰ পুৰস্কাৰস্বৰূপে দিলে।

এইখিনি দিনাৰেৰে ইব্ৰাহিমে বেপাৰ কৰিবলৈ ধৰিলে।

এই ঘটনাৰ দুটা দিনৰ অন্তত ইব্ৰাহিমে খবৰ পালে যে নকলী সোণ বেচিবলৈ গৈ তাৰ পৰম দোস্ত ইছমাইল হাতে-লুটে ধৰা পৰিল।

এই খবৰ পোৱা মাত্রেই ইব্রাহিম বাদছাহৰ ওচৰলৈ গ'ল আৰু ইছমাইল যে তাৰ দোস্ত—সেই কথা কৈ—বাদছাহক অনুৰোধ কৰিলে ইছমাইলক এইবাৰলৈ মাফ কৰিবলৈ। বিচাৰত ইছমাইলৰ যদি জুৰ্মানা—জৰিমনা হয়, সেই জৰিমনা সি অৰ্থাৎ ইব্রাহিমে নিজেই দি দিব।

পাছত বাদছাহ তেওঁৰ দৰবাৰলৈ আহিল তেওঁ তেওঁৰ দৰবাৰীসকলক অৰ্থাৎ পাৰিষদ সকলক কাহিনী এটি বিশদভাবে লাহে-ধীৰে শুনাবলৈ ধৰিলে :

'ঈশ্বৰভক্তি আৰু ৰাজভক্তি থকা মানুহে সুখে সন্তোষে জীৱন অতিবাহিত কৰিব পাৰে। তাৰ বিপৰীতে যিহঁতে চলি থাকিবলৈ চেষ্টা কৰে, সিহঁত সদা—সৰ্বক্ষণেই যে আলৈ-আহুকালত পৰি ককবকায়—তাৰ জীৱন্ত উদাহৰণ মই এতিয়া আপোনালোকক গল্প এটি ক'ম। কোনোবা দেশত দুজন খৰিকটীয়া আছিল। সিহঁতৰ মাজত এজন আছিল ঈশ্বৰভক্ত আৰু ৰাজভক্ত, আৰু আনজন আছিল কৌশলভক্ত। এদিন ঈশ্বৰভক্ত তথা ৰাজভক্ত খৰিকটীয়াজনে হাবিত হঠাৎ গুপ্তধন পাই — আল্লাহ-আল্লাহৰ দান বুলি ভাবি জগতত আল্লাহৰ প্ৰত্যক্ষ প্ৰতিনিধি ৰজাৰ হাতত ধৰ্মৰক্ষা কৰি গুপ্তধনখিনি গটাই দিলে। কৌশলভক্ত খৰিকটীয়ায়ো গুপ্তধন বিচাৰি পাইছিল আৰু সেই গুপ্তধনৰূপী নকলী সোণ ৰজাৰত বেচিবলৈ ওলাই ধৰা পৰিছিল। এই দুজনৰ মাজত ধাৰ্মিক খৰিকটীয়াজন হ'ল এই ইব্রাহিম আৰু কৌশলীজন হ'ল সৌ ইছমাইল।"

ইছমাইলে আগলৈ কদাপি এনে অন্যায় কাম নকৰিব—ইব্রাহিমৰ এই কথাৰ ওপৰত বাদছাহে সেইবাৰলৈ ইছমাইলক মুক্তি দিছিল।

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

বান্দৰৰ মানুহামী !

বান্দৰে মানুহৰ দৰে নহ'লেও প্ৰায় মানুহৰ দৰেই তাৰ ভৰি-হাত গা-মূৰ নখেৰে আঁচুৰি আঁচুৰি চাফা কৰে, এটাৰ গা-মূৰ আন এটা বান্দৰে গছৰ পাতেৰেও চাফা কৰি দিয়ে। কেতিয়াবা কেতিয়াবা সৰু সৰু গছৰ কোমল ঠাৰিৰে এটাই আনটোৰ দাঁতেও ঘঁহি চাফা কৰা দেখা যায় !

ধনুৰ্ধৰ মাছ !

'আৰ্চ্চাৰ' নামৰ ধনুৰ্ধৰ মাছ ২০ ছেন্টিমিটাৰ দীঘল আৰু তাৰ ৰূপালী গাত ক'লা দাগ থকা। এইবিধ মাছৰ চিকাৰ ধৰাৰ প্ৰণালী অতি অভিনৱ। ডাঙৰ-চকুৱা এই ধনুৰ্ধৰ মাছে পানীৰ ওপৰলৈ উটি যদি কোনো গছৰ বা লতাৰ পাতৰ ওপৰত পোক-পৰুৱা দেখা পায়—তেনেহ'লে আৰ্চ্চাৰে অৰ্থাৎ ধনুৰ্ধৰ মাছে তাৰ নাকটিৰে সেই পাতলৈ টোপা-টোপে পানী ছটিয়ায় আৰু পোকটো তললৈ সৰি পৰে, আৰু ধনুৰ্ধৰে কপকৈ ধৰি খায়। পোকটো পাতৰপৰা তললৈ পানীৰ ওপৰত পৰোঁতে আৰ্চ্চাৰে পোকটোৰে নেদেখাকৈ লুকাই থাকে।

খাইকহ পানী-ফৰিং !

পানী ফৰিং যেতিয়া পলু অৱস্থাত থাকে, তেতিয়া তাক ইংৰাজিত 'নিম্ফ্' অৰ্থাৎ জলপৰী বুলি কোৱা হয়। পলু হৈ থকা অৱস্থাত পানী-ফৰিঙৰ ভোক চৰে, জোক-মূৰীয়া লাগে আৰু তেতিয়া ই যি পায় তাকে খায়। সৰু সৰু মাছ-পোক-পৰুৱা-ভেকুলী আদিও ধৰি ধৰি খায়। এইবোৰ নাপালে আন পলুবিলাককো খাই শেষ কৰে। তেতিয়া পানী-ফৰিঙৰ ৰূপ ৰাক্ষসীৰূপহে। কিন্তু কিছুদিনৰ অন্তত যেতিয়া তাৰ গাৰ টান ছাল ভেদি ওলায় তেতিয়া দেখাত কিমান যে ধুনীয়া হয় !



Your child and Floppy

You just can't keep them apart.

PANDA

A wide range of soft toys from the Chandamama Collection – each with its own unique appeal!

Every Soft Toy in the Chandamama Collection has been specially made to bring your child years of warmth and friendship.

- *Totally Safe – for children of any age..*
- *Durable – high quality synthetic fibre used.*
- *Washable – will not lose shape.*

BOW–WOW

And now – a surprise gift offer! With every Chandamama Soft Toy you buy. Ask your shopkeeper for a

Free Gift Coupon.

JUMBO

Simply fill it in and mail it to the given address. We will post you gifts that will keep your child amused and happy for hours.

Buy Now – offer open for a limited period only!

Available at all leading outlets.

SPORTY

THE

CHANDAMAMA COLLECTION

ARTIGICT/1142

ফটো-নামকৰণ প্ৰতিযোগিতা :: পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৩ চনৰ ফেব্ৰুৱাৰি সংখ্যাত প্ৰকাশিত হ'ব ।

V. Muthuraman

Subhash G. Shenoy

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব । ১৯৯২ চনৰ ডিচেম্বৰৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব । উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব ।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব ।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ অক্টʼবাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : যেৰে উলিয়ায় গুপ্তধন দ্বিতীয় ফটো : সেই পৰিশ্ৰমীৰ নাই মৰণ

কুমুদ বৰা কঠিয়াতলী কছাৰী গাঁও নগাঁও ।

ভাৰতত বছৰেকীয়া বৰঙণি চান্দমামা ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৰা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :

অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সম্কৃত, তামিল আৰু তেলুগু

আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অষ্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে **105.00** ● উৰাজাহাজ-যোগে **252.00**

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে **111.00** ● উৰাজাহাজ-যোগে **252.00**

আপোনাৰ বৰঙণি বেৰল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০·০২৬

FREE!
BUNNY TEETH
INSIDE EVERY 100 GMS
POUCH OF COOKIES
মিঠাইৰ মাজত
নাৰিকল আছে
মুখত ললেই
মনটি নাচে
nutrine
COOKIES
nutrine
COOKIES
লৰা-ছোৱালীয়ে গাই-নাচি মজা কৰে
কোকানাকা কুকীজ
THE FINEST, WIDEST RANGE
nutrine
India's largest selling sweets
Visesh/NC/9090/Ass